পৌৰাণিক নাট

গুৰুদক্ষিণা

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

শ্ৰীদুৰ্গাপ্ৰসাদ মজিন্দাৰ-বৰুৱা

লিখিত

দ্বিতীয় সংস্কৰণ

১৩২৮

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY

শ্ৰীলোকনাথ কাকতি

প্ৰণীত

[বেচ আঠ অনা মাথোন]

ছাপোতা
শ্ৰীসতীশ ব্ৰহ্মচাৰী
"যোগমায়া-প্ৰিণ্টিং-ৱৰ্কচ্"
নাবৰত মঠ—যোৰহাট

উৎসর্গ।

যিনি আমার

[illegible]

আজ

[illegible]

[illegible]

সুকবির সাধ্য নাই

সেই [illegible]

৺নরোত্তম মজিন্দার ঠকুরা

পিতৃদেবের

স্মৃতিচিহ্ন স্বরূপে

এই অকিঞ্চন পুস্তিকাখানি

[illegible]

অর্পিত হইল।

ইতি।

জিগেঁাড়া।

শুভাশীৰ্ব্বাদ

শ্ৰীমান গঙ্গাৰাম চৌধুৰী বাপাদেৱ

দীৰ্ঘজীৱেষু।

প্ৰিয় ভতিজা,

তুমি "গুৰুদক্ষিণা" নাটখনি পূজ্যতম ৺পিতৃদেৱতাৰ সংক্ষিপ্ত জীৱনীৰে সৈতে নিজ ব্যয়ত প্ৰকাশ কৰিবলৈ ইচ্ছা কৰাত বৰ সন্তোষ পালোঁ। এনে সাধু ইচ্ছাৰ-পৰা প্ৰথমতে মাতৃভাষালৈ, দ্বিতীয়তে পিতৃদেৱলৈ আৰু তৃতীয়তে গুৰুজনলৈ তোমাৰ কিমান আন্তৰিক শ্ৰদ্ধা ও ভক্তি আৰু মন কিমান শুদ্ধ ও মহৎ তাৰ বেচ বুজিব পাৰি। মই আনন্দমনেৰে ইয়াৰ প্ৰথম সংস্কৰণ উলিয়াবলৈ অনুমতি দিছোঁ। পৰমপিতা জগদীশ্বৰৰ ওচৰত তোমাৰ মনোবাসনা বাঢ়িবলৈ আৰু সকলো প্ৰকাৰে মঙ্গল হবলৈ প্ৰাৰ্থনা কৰিছোঁ। ইতি।

শিৱসাগৰ
২৫।৭।১৯০০ }

তোমাৰ মৰম—
শ্ৰীদুৰ্গাপ্ৰসাদ

প্ৰকাশকৰ মন্তব্য

লিখোঁতাৰ প্ৰকাশিত গ্ৰন্থাৱলীৰ বাহিৰেও পদ্য, গদ্য, নাটকাদি ভালেমান পুথি ছপা নোহোৱাকৈ হাতে-লিখা অৱস্থাত থকা দেখি, তাৰে কিছুমান পুথি পঢ়ি চাবলৈ অভিপ্ৰায় কৰাত, মোক সৰম কৰি পঢ়িবলৈ দিলে। মই এখনি এখনিকৈ কেইবাখনি নাটকো পঢ়ি চালোঁ। কোনো এখনিকো পঢ়ি সেয়া নেপালোঁ। আটাইকখন বৰ বিনোদন মন-মোহা পুথি। আটাইকে এই "গুৰুদক্ষিণা" খনি পঢ়ি মনত বৰ তৃপ্তি লভিলোঁ। ই ধৰ্ম্মবিষয়ক পৌৰাণিক নাট। আজি-কালিৰ চলিত ভাষাত পুৰণি বিষয় অতি সুন্দৰৰূপে সজাই দিয়া হৈছে। ইয়াক পঢ়িলে আমনি নেলাগে। আমাৰ ভাষাত ধৰ্ম্মসম্বন্ধীয় উপদেশ-পূৰ্ণ পুথি হয়মানে ভালৰ কথা। তাতে আঁকৌ পুথিখিনি গ্ৰন্থকাৰে তেওঁৰ ভক্তিভাজন পিতৃ

দেৱৰ স্মৰণ-চিনৰূপে উৎসর্গা কৰা দেখি, বেগেতে ছপাই উলিয়াবৰ নিমিত্তে মোৰ মন বৰ উদ্রাৱল হবলৈ ধৰিলে। লিখোঁতাই অনুমতি দিলে যদি নিজব্যয়ত ছপা কৰি উলিয়াবৰ ইচ্ছা প্ৰকাশ কৰাত, তেওঁ অনুগ্ৰহ কৰি আদেশ দিলে। এতিয়া অতি বিনীতভাৱে এই পুথিখনি ৰাইজৰ হাতত অৰ্পণ কৰিছোঁ। মোৰ সবল বিশ্বাস, এইপুথি পঢ়ি সকলোৱে মনত সন্তোষ পাব আৰু গুৰুৰপ্ৰতি ছাত্ৰৰ কিমান ভক্তি শিক্ষা দিছে তাক উত্তমৰূপে বুজিব পাৰিব। ইয়াক ৰাইজে চেনেহৰ চকুৰে চোৱা যেন দেখিলে, লাহে লাহে অন্যান্য পুথিবোৰো প্ৰকাশ কৰি ৰাইজৰ হাতত দিবলৈ মনত বৰ উলাহ পাম, আৰু ছপোৱাৰ সার্থক বুলি ভাবি আন্তৰিক বৰ আনন্দ লভিম।

সাৰশেষত ইয়াকো কোৱা উচিত যে, লিখোঁতাই যাৰ স্মৰণার্থে এই পুথিখনি উৎসর্গা কৰিছে, তেখেতৰ এফেৰিমান সংক্ষিপ্ত জীৱনীৰে পৰিচয় নিদিয়াকৈ সামৰণিমৰা মোৰপক্ষে নিতান্ত অন্যায়।

সেইনিমিত্তে বিশেষ পুৰুষাৰ্থ কৰি যি পাৰিছোঁ, সম্প্ৰতি অলপমান গোটাই এই পুথিৰ শেষত উপ-ৰকিকৈ ছপাই উলিয়াইছোঁ। পূজ্যতম ৺নৰোত্তম মজিন্দাৰ-বৰুৱা মোৰ মাননীয় ককাদেউতা হয়। মই তেখেতৰ ঘৰৰ জীয়াৰীবষালৰ নাতিনীয়েক হওঁ; সেইসম্বন্ধত গ্ৰন্থকাৰৰ মই ভতিজাক। অদ্ভুত হয় কো নকৈ নোৱাৰিলোঁ যে, এই পুথি-খনি খুৰাদেৱে যতন কৰি তেওঁৰ দেউতাকৰ সং-ক্ষিপ্ত জীৱনীৰে সৈতে ছপাই উলিয়াবলৈ অনুমতি দিয়াত মই বংপাই অন্তৰেসমৰিতে নথে শলাগ লৈছোঁ। আৰু তেওঁৰ ওচৰত কৃতজ্ঞতাজৰীৰে আজীৱন কাল বান্ধখাই থাকিলোঁ। ইতি।

তিব্ৰুগড়
১।১।১৯০১

শ্ৰীগঙ্গাৰাম চৌধুৰী
প্ৰকাশক

দ্বিতীয় তাঙৰণৰ পাতনি।

ভকতসকলৰ অতি আদৰৰ ধন গুৰুদক্ষিণা আকৌ ন'কৈ ওলাল। এই পুথিখনি কাহানিবাই অভ পৰিল। বাইতে ঘনেপতি খোজাতো আমি ইমান দিনে যোগাব নোৱাৰি মনত দুখ বেয়া পাইছিলোঁ; সেইবাবে আমাৰ অপৰাধ বাইতে নিজগুণে ক্ষমা কৰি যেন বাঞ্চিত কৰে।

এই পুথি ১৯০০ খ্ৰীষ্টাব্দত লিখা হৈছিল। ১৯০১ চনত ইয়াৰ প্ৰথম তাঙৰণ ডিব্ৰুগড়ৰ—ৰায় চাহাব শ্ৰীযুত গঙ্গাৰাম চৌধুৰী দেৱে নিজ খৰচাত ছপাই বাইজৰ আগতে আগবঢ়াইছিল। তাত যি ভগৱতি ভেৰ্দ্ব কৰ্মচাৰীতাকৰ জীৱনী আৰু উপকথা গোটাদিয়েক গীত লৈতে কেইখনিমান নামতিয়াল পুথিৰ নামাৱলি চিঠি আছিল, তাৰ অনাৱশ্যক দেখুৱে ওলাই দিয়া হল।

এই তাঙৰণত একো নাম-সনাৰি নকৰি পৰ্বাভটি-

পোৱত থাকোন বাত ফুৰাই দিয়া হৈছে। কিয়নো ৩০ বছৰৰ আগৰ "তাৰ আৰু সৌকথা"ত ঘুণ লাগে বুলি মনত শঙ্কা হল।

কৃষ্ণকথা এনেই মধুৰ; তক্কৰ হাতত পৰি নৈলে কেউটি থাকে। কৃষ্ণৰ বাল্যলীলা আৰু বিক্ৰোপন, তত্ত্বমাত্ৰকৰে যে মন মোহিত হয়, তাক কোৱাৰে সকাম নাই।

আজি-কালি কাগজ আৰু ছপাৰ মূল্য দিগুণ হোৱাত তথাপি এই তাঙৰণত কিছু কাগজো বাঢ় দিয়া যাবে আগৰ মূল্য ।৵ অনাৰ ঠাইত এইবাৰ ।।০ অনা কৰা হল।

ভকানপুখুৰি, শিৱসাগৰ }
১।১।২৮ }

বিনীত
শ্ৰীদুৰ্গা

"বন্দো মই ভাষা-মাতৃ তব পদাম্বুজে,
বাগ্দেবি! তুমি মাতৃ জিহ্বাগ্রবাসিনী!"

ভানমতী

গ্ৰন্থাৰম্ভ

লাগতিয়াল সঙ্কেত

গ্ৰন্থকাৰসকলে দেখোঁতা আৰু কৰোঁতা দুইৰো সুবিধাৰ নিমিত্তে প্ৰত্যেক (Theatrical Play) ভাওঁক চোৰা-চোৰাকৈ কেবাভাগো কৰি দিয়ে, বিশেষ সুচলৰহেতুকে প্ৰত্যেক ভাগকে আকৌ সৰু সৰু কেবাঅংশতো বিভাগ কৰি থয়। ইংৰাজী নাটৰ একোভাগক (Act) অঙ্ক আৰু সৰু একোঅংশক (Scene) দৃশ্য বা দৰ্শন বুলি উল্লেখ কৰে। একোঅংশৰ ভিতৰত কেবাখনিও দৃশ্য বা দৰ্শন থাকে। আজি-কালি এই দেশীয় আৰু বঙ্গদেশীয় নাটৰচোঁতাসকলে দৃশ্য বা দৰ্শনৰ সলনি প্ৰায় গৰ্ভাঙ্ক বুলিহে লিখে। এই নাটত ইংৰাজী প্ৰথাৰে লিখা হৈছে; কাৰেই দৃশ্য বা দৰ্শনৰ ঠাইত গৰ্ভাঙ্ক বুলি ধৰিব লাগিব। ইতি:

গ্ৰন্থকাৰ

ভাওৰীয়াসকলৰ নাম

মুনিহ।

শিৱ, কৃষ্ণ, বলৰাম, বসুদেৱ, যম, চিত্ৰগুপ্ত, সান্দীপনি, মধুমঙ্গল, পুৰন্দৰ, নাদিয়া, দূত, কিছুমান ছাত্ৰ, কিছুমান পাপী।

তিৰোতা।

গৌৰী, দৈৱকী, সান্দীপনিৰ ঘৈণীয়েক, চঞ্চলা, উপম, চেনিমাই।

দৰ্শন।

কৈলাসপুৰী, যমপুৰী, মথুৰাৰ বাট আদি, অৱন্তী নগৰৰ বাট-আদি, বসুদেৱৰ বাহিৰ-ঘৰ, বসুদেৱৰ নৱ-ঘৰ, দৈৱকীৰ অন্তঃপুৰ, সান্দীপনিৰ পঢ়াশালি, সান্দীপনিৰ ঘৰ, সান্দীপনিৰ চোতাল।

PLEASE HANDLE THE BOOK CAREFULLY

পৌৰাণিক নাট

গুৰু-দক্ষিণা

প্ৰথম অঙ্ক

প্ৰথম দৰ্শন

ৰাজ-আলি

শ্ৰীকৃষ্ণ আৰু বলৰাম

বল।—ভাইটি! তুমি এইদৰে মনমাৰি থাকিলে মই মনত বৰ বেজাৰ পাওঁ। তোমাৰ মুখত বিষাদৰ চিন দেখিলে মোৰ হৃদয়-আকাশ ভাবনা-ভাৰৰে ঢাকি পেলায়! মোৰ সোণাই, তুমি কিয় মন-মাৰি আছা, তাকে কোৱা।

কৃষ্ণ।—দদা! কলে কি হব? মোৰ অন্তৰত বৰ শোক সিদিনা ককাদেউতাৰ মৰণৰ বিনাৰণৰা মোৰ মন সম্পূৰ্ণ মলিন হৈছে।

বল।—মোৰ লাহৰি! হঠাৎ তোমাৰ মন ইমান পৰি-
বৰ্ত্তন হোৱাৰ কাৰণ কি? কোনে কি কলে?
খেমালি কৰিবলৈ আহি এইখন তুমি কি ভাবিছা
গোপাল?

কৃষ্ণ।—কোনে কি কব? চিন্তাহিত আনে মনক লাজ
দিছে।

বল।—ভাইটি! তুমি মোক ফাকি নকৰিবি, ঠাট্টা কোৰা।
তোমাৰ মন বিৰস দেখি মোৰ মন বৰ উচাটন
হৈছে, কৈ পেলোৱা চিন্তা দূৰ কৰা।

কৃষ্ণ।—দদা! শাস্ত্ৰতো মই বৰ আচৰিত হৈছোঁ। তুমি
মোৰ কথাত মন নিদিবা।

বল।—কিয় নিদিম মোৰ লাহৰি? তোমাৰ কথাত যে মন
নিদিম, দিম কাৰ কথাত? মই মোৰ প্ৰাণতকৈও
তোমাক অধিক ভালপাওঁ।

কৃষ্ণ।—সিদিনা সভাত বহি থাকোঁতে কি কৈছিলোঁ?

বল।—ক'ৰ সভাত বহি থাকোঁতে—ককা-দেউতাৰ সভাত
বহি থাকোঁতে নে কি?

কৃষ্ণ।—হঁ।

বল।—পণ্ডিতসকলে নানাৰকম শাস্ত্ৰৰ কথা কোৱা-মেলা
কৰা শুনি তুমিও পণ্ডিত হবৰ আশা কৰিছিলা।

কৃষ্ণ।—এৰা. মোৰ দদা নে কোন ! তেওঁক এতিয়াও সেই কথাকে ভাবিছো। সিদিনা পণ্ডিতৰ সভাত মুখ মেলি কথা এটা কব নোৱাৰিলোঁ।—ইয়াতকৈ নো কিবা লাজৰ কথা আছে নে ? হায় ! হায় !! বিদ্যা-হীন জীৱন সমূলি মিছা। দেখিবলৈ ধুনিয়া হলে হব কি ? গাত গুণ থাকিব লাগে। ইয়াৰ মাজত বগলিটো হৈ থকাতকৈ মৰি যোৱাই ভাল।

বল।—তেনে ওখ আশা কৰা একেবাৰে ভুল। আমি জানো বামুণ ? আমাক বিদ্যা কেলৈ ? বিদ্যা পণ্ডিতৰ হে আৱশ্যক। মুখ চুপতি কৰি নানা ৰকম কথা চেলাই বামুণে পৰ্ব্বতি থাকে। সেইবোৰ আমাক কেলৈ ? আমি বন-বাৰি কৰি পেট পুহি থকাটোৱেই যুক্ত। সেইবোৰ মিছা কথা ভাবি দুখ কৰি নেথাকিবা।

কৃষ্ণ।—দদা, তুমি আমাৰ মুখ্য উদ্দেশ্য দেখোন একেবাৰে পাহৰিলা। তুমি আমাৰ যাই কথাকে মন কৰি চোৱাছোন। আমি সদাই গৰখীয়াৰ লগত খেমালি কৰি ফুৰা নিতান্ত অন্যায় হল। ইমান ডাঙৰ হলোঁ, বিদ্যা-বুদ্ধি একো নাই। বিদ্যা-বুদ্ধি নহলে উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰি। এতেকে আমি বিদ্যাশিক্ষা কৰা যুক্ত। নিজৰ মনৰ মণি ভাব নোৱাৰিলে,

অইনৰ মন নিকা কৰিব নোৱাৰি।

বল।—তোমাৰ কথা শুনি কলিয়া! মই বিচুৰ্ণি হওঁ। তোমাৰ দিনে দিনে একোটা মনৰ ভাব। যিহকে দেখা তাকে লাগে। পণ্ডিত দেখি পণ্ডিত হবৰ মন গল। আৰু বা নহবা কি? এই ভাব আকৌ নুটি খাইছে লাগে।

কৃষ্ণ। পণ্ডিতৰ সমান সুখী পৃথিবীত কেওঁ নাই। মোক আশীৰ্ব্বাদ কৰা। যাতে বেগতে পণ্ডিত হৈ মনৰ মলি গুচাই অন্তৰ পোহৰ কৰিব পাৰোঁ। আৰু তুমিও পণ্ডিত হৈ মোক কৰ্ত্তব্য কৰ্ম্মত সহায় কৰা। আমি যি উদ্দেশ্য সিদ্ধি কৰিবৰ নিমিত্তে পৃথিবীলৈ আহিছোঁ, তাক যাতে সুকলমে সুসম্পন্ন কৰিব পাৰোঁ, তালৈ অকণো হেলা নকৰিবা।

বল।—তেন্তে উপায়?

কৃষ্ণ।—উপায় আৰু কি? আমি সেই মুনিৰ পঢ়াশালিত পঢ়া।

বল।—মুনিৰ নো পঢ়াশালি কত—যাবানো কেনেকৈ?

কৃষ্ণ।—সেই বিষয়ে দদা, তুমি একো ভাবিব নেলাগে। মই নাম আৰু থকা-ঠাই আদি সকলো তেওঁৰেপৰা ঠিককৈ লৈছোঁ। আহা! মুনিজন কেনে মৰমীয়াল! আমাক কেনে আদৰ-সাদৰ কৰিছিল!

বল।—আমাৰ ইয়াৰপৰা কিমান দূৰ ?

কৃষ্ণ।—ইয়াৰপৰা যোৱে অৱন্তীনগৰ তিনি মাহৰ বাট।

বল।—উস্! বহুত দূৰ। ইয়াৰপৰা গৈ তাত পঢ়া নিতান্ত অসম্ভৱ।

কৃষ্ণ।—কি অসম্ভৱ? পৃথিবীত একো অসম্ভৱ নাই। ইচ্ছা কৰিলেই উপায় ওলায়। সংসাৰত যত্ন নকৰিলে কেও বস্তুৰ অধিকাৰী হব নোৱাৰে। বিদ্যা অমূল্য বস্তু; তেনে বস্তু লাভ কৰিবলৈ প্ৰাণপণে যত্ন কৰা উচিত।

বল।—সেইভাই পঠিয়ালে হে?

কৃষ্ণ।—অৱশ্যে বুজাই কলে দেউতাই পঠিয়াব। মই হলে আইতালৈ হে ভাবিছোঁ। তিৰোতাৰ মন নিচেই কোমল। বঢ়ালে-বুজালে যদি পঠিয়ায় তেনেহলে আৰু আমি শুনিলোঁ।

বল।—বাৰু, তেন্তে আমি যাওঁ। তেওঁবিলাকৰ অনুমতি লৈ আমি লিখা-পঢ়া শিকোঁগৈ। মুনিৰ নাম কি?

কৃষ্ণ।—তেওঁৰ নাম সান্দীপনি।

বল।—গোপাল, তুমি বৰ লৈকে আৰু বহুত কথা জানা, এতেকে বুজাই-বঢ়াই কলে অৱশ্যে আমাক পঠিয়াব। নালত আৰু কাক নিবা?

কৃষ্ণ।—কাক নিম? তুমি আৰু মই।

বল।—অনুমতি লওঁগৈ বলা।

গীত

আহাঁ আহাঁ কৰোঁ আমি, বিদ্যা উপাৰ্জ্জন।
বিদ্যাৰ সমান নাই, সংসাৰত ধন॥
বিদ্যাৰ গছতে জ্ঞান, জ্ঞানৰ ফলতে মান,
নহলে ধৰাত ভাই, মিছাতে জীৱন।
দেউতা-আইক কই, ঘৰৰ বাহিৰ হই
অৰণ্যে লভিম বিদ্যা কৰিলে যতন॥

(দুইৰো প্ৰস্থান)

দ্বিতীয় দৰ্শন

বসুদেৱৰ মাৰল-ঘৰ

বসুদেৱ আৰু দৈৱকী

দৈৱ।—প্ৰাণেশ্বৰ! লৰা ছুটি অথনিয়েই খেমালি কৰিবলৈ গল; এতিয়াও দেখোন ঘূৰি নাহিল!

বসু।—লৰা-মানুহ লগৰীয়াৰ লগত বাহিৰত খেমালি কৰি আছে চাগৈ প্ৰিয়সী, একো চিন্তা নকৰিবা।

দৈৱ।—মোৰ চকুৰ আঁতৰত থাকিলেই নাথ, কব নোৱাৰে। কিয় হেৰাই-হেৰাই যেন ভাব হয়। আহা! সিহঁত মোৰ ওচৰত থাকিলে হাততে স্বৰ্গ পাওঁ।

বসু।—তুমি হে নেলাগে জগতৰ সকলো মাইকীয়ে সন্তানৰ নিমিত্তে এনে মৰম আৰু অলপমান পৰো চকুৰ আঁতৰত থকা সহিব নোৱাৰে।

দৈৱ।—আহা! সংসাৰত মোৰ সোণাইহঁতৰ বঢ়া অইন একো বস্তু নাই। পৃথিৱীত যাৰ সতি-সন্তান নাই, তাতকৈ দুখীয়া কোন্ আছে? খাবলৈ থক্ বা নথক্, পিন্ধিবলৈ থক্ বা নথক্, যদি সন্তান-সন্ততি থাকে, তেন্তে সি মহৎ ধনী আৰু সুখী।

বসু।—তুমি যথাৰ্থ কৈছা ৰাণী! পুত্ৰমুখ দেখিবলৈ নেপালে পৃথিবীত জন্ম লোৱাৰে সাৰ্থক নাই। সেইদে পুত্ৰহীন মানুহক দেখিলে যাত্ৰা নাই বোলে। তুমি মহাভাগ্যবতী নাৰী। তোমাৰ বহুতে মহো মহাসুখী।

(বলৰামৰ প্ৰবেশ)

বল।—(বিনয়েৰে) দেউতা! গোপালে সৌ বাহিৰত কান্দি আছে।

দৈৱ।—মোৰ গোপাইৰ কি হল, বলাই? তোমালোকে মৰামৰি কৰিছিলানে কি?

বল।—মৰামৰি কৰা নাই। মূৰ্খ হলোঁ। বুলি বেজাৰ কৰি কান্দিছে।

বসু।—কি মূৰ্খ হল? মোৰ গোপাইৰ সমান জ্ঞানী লৰা যেখোন দেখাই নাই। মাতি আনাচোন সোণা, মোৰ লাহৰিয়েনো কেলৈ কান্দিছে।

দৈৱ।—মোৰ বোপা, মোৰ মইনা বোপা, বেগেতে মাতি আনাগৈ।

বল।—মই গোপালক মাতিলে নাহে, ঠেহ্‌ পাতিছে।

বসু।—কি জগৰ লাগিল? তুমি ডাঙৰ, সৰু ভাইটিক ভালেঁ। ভাবি-চকি দিব পাৰ? যতন কৰি ভুলাইহে থাকিব লাগে। তুমি খং কৰিছিলানে কি? কেলৈ

ঠেহ্‌ পাব্বিছে ?

দৈব।—বলাই, তুমি বৰ ওখৰা লৰা। তুমি গোপালক ভাবি দিলাঁ হবলা। গোপাল অকণমান ভাইটি, তাক কোনো ভাবি দিব পাৰ? মা ত আনাগৈ যোৱাঁ। মোৰ সোণাইক সোধোঁ কেনেকৈ কান্দিছে।

বল।—অইন একো হোৱা নাই আইটো, সিদিনা ককাদেউতাৰ শৰাধত যে, পণ্ডিতবোৰ আহি শাস্ত্ৰৰ কথা কৈ তৰ্ক কৰিছিল, আমি তাতে বহি আছিলোঁ, তেওঁবিলাকৰ কথা একোকে তৰ্কিব নোৱাৰিলোঁ। বামুণৰ লৰাকিটামানে আমাক কিবা সুধিছিল। পিছে, গোপালেও নোৱাৰিলে, ময়ো নোৱাৰিলোঁ। গোপালে কব নোৱাৰি, মৰিবৰমান লাজ পালে। মোৰ আগত লেখাপঢ়া শিকিবলৈ প্ৰতিজ্ঞা কৰিলে। দেউতা, গোপালৰ পঢ়িবলৈ বৰ মন হৈছে।

বসু।—মোৰ সোণাই পৰম জ্ঞানী। অবস্ত পঢ়িব লাগে। তুমি মাতি আনাগৈ মই ঠেহ্‌ ভাঙিম। যোৱাঁ।

(বলৰামৰ প্ৰস্থান)

দেখিলাঁ।—গোপাল কেনে লৰা? মোৰ বোপায়ে নপঢ়ে বাবে লেবে। তুমি কৈছিলাঁ—অজ্ঞান মূৰ্খ হল। মই কৈছিলোঁ নহয়, মনত আছেনে? যেতিয়া

জানিব তেতিয়া নিজেই পঢ়িবলৈ উত্ৰাৱল হ'ব। তাইলৈকে জানিবা ভাল লগ লগাই দিব লাগে। মানুহে নেজানে যে, সৰুৰপৰা কিমান শিকিব পাৰে। গোপালে যদি সিদিনা সেই পণ্ডিতৰ লৰাকেটাৰ লগ নেপালেহেঁতেন কেতিয়াও ইমান সোনকালে পঢ়িবলৈ মন নেমেলিলেহেঁতেন। নিজৰ মন নগলে বলেৰে কাকো কোনেও শিকাব নোৱাৰে। নিজৰ মনৰ এটা আগ্ৰহ হব লাগে। সেই আগ্ৰহ লগৰ লগবীয়াৰপৰা হয়। এতেকে লৰা-ছোৱালীক কেতিয়াও বেয়াৰ লগ লাগিবলৈ দিব নেলাগে। যেনেদৰে সিহঁতক পঢ়িবৰ ইচ্ছা হয়, সেই নিচিনা সঙ্গীৰ লগ লগাই দিলেই এনেই গঢ় লাগি আহিব।

(কৃষ্ণ, বলৰামৰ প্ৰবেশ)

দৈৱ।—আহাঁ, মোৰ সোণাই! আহাঁ, মোক চুমা এটি দিয়াঁহি। তুমি বেজাৰ কৰিছা কেলৈ—কি হল—কোনে জগৰ লগালে?

কৃষ্ণ।—(চুমা দি) আইতা, মোক কোনেও একো জগৰ লগোৱা নাই। মোৰ অন্তৰত বৰ শোকে ধৰিছে। সিদিনা সভাত বৰ লাজ পালোঁ। লাজতকৈ অন্তৰৰ ডাঙৰ ব্যাধি নাই। তেনে লাজে মোক বৰকৈ পীড়িছে।

বসু।—তোমাৰ কিহৰ লাজ? পণ্ডিত ধৰি দি পঢ়ঁা। মন দি পঢ়ঁা, দুদিনতে সকলোকে চেৰ পেলাব পাৰিবা। বেজাৰ নকৰিবা। মই শীঘ্ৰে পঢ়াৰ ঠিক কৰি দিম। তুমি নেকান্দিবা অ' মোৰ লাহৰি!

কৃষ্ণ।—দেউতা! সোনকালে পঢ়া আৰম্ভ কৰিব লাগে। আমি বহুত ডাঙৰ হলোঁ। সকবেপৰা গৰখীয়া লবাৰ লগত খেমালি কৰি ফুৰি বৰ অন্যায় কৰিলোঁ। আমি মহামূৰ্খ হলোঁ। বিদ্যাহীন জীৱনত একো সকাম নাই। দদায়ে মষে বিদ্যা শিক্ষা কৰোঁ।

বসু।—পঢ়িবাইক মোৰ সোণাই! তোমালোকৰ কিহৰ চিন্তা? আজিয়েই মই পণ্ডিত ঠিক কৰি দিম, ঘৰতে পঢ়াই যাবহি।

কৃষ্ণ।—দেউতা, বিদ্যা শিক্ষা গুৰুৰ ঘৰত থাকি কৰাহে যুগুত। ঘৰত পঢ়িলে শীঘ্ৰে পঢ়িব নোৱাৰিম। এতে'ক দদাকে-মোকে অৱন্তীনগৰৰ সান্দীপণি মুনিৰ পঢ়াশালিত পঢ়িবলৈ পঠিয়াই দিয়ক। মুনি জন বৰ ভাল। সিদিনাখন আহোঁতে আমাক বৰ মৰম-চেনেহ কৰিছিল।

দৈৱ।—বাছা, মোৰ লাহৰি; সিমান দূৰত গৈ পঢ়িব নেলাগে। তোমালোকে মোৰ ঘৰখনতে ঘৰতে পঢ়ঁা।

যি শিকিব খুজিছা সকলো ঘৰতে থাকি শিকিব পাৰিবা। মোৰ চকুৰ আঁতৰত থাকিব নেলাগে।

বল।—আইতা! আমি তাত বেচি দিন নেথাকো নহয়, বেগতে ঘূৰি আহিম। গোপালৰ যাবৰ বৰ মন হৈছে, বাধা নকৰিবা চেনেকী আই। বাধা কৰিলে গোপালে মনত বৰ বেয়া পাব। গোপালে কন্দা দেখিলে মোৰো চকুৰ পানী বগলৈ ধৰে।

বসু।—তোমালোকে পিতৃ মাতৃৰ নয়নস্বৰূপ। তোমালোক নহলে, আমাৰ সকলো আন্ধাৰ। তোমালোকক পঠিয়াই আমিনো কেনেকৈ থাকো অ' মোৰ সোণাহঁত? এতিয়া ব'লা জলপান কৰোঁগৈ। পিচে যাব এটা থিৰাং কৰা হব।

বৈৰ।—বলক সকলো যাওঁহক।

(সকলোৰে প্ৰস্থান)

তৃতীয় দৰ্শন

বসুদেৱৰ বৰ-ঘৰ।

চঞ্চলা।

চঞ্চলা।—(আপোনা-আপুনি) সংসাৰত সুখ কি—তাক সঠিক কৰিব মই ইমান দিনেও নোৱাৰিলোঁ। মানুহে কয়, দুখ নেপালে সুখ বুজিব নোৱাৰে। মোৰ তেন্তে এতিয়া দুখনে সুখ? মানুহে কয়, মই ডাঙৰ লোকৰ ঘৰৰ দাসী, মোৰ সমান সুখী অইন কেঁও নাই। কতা? সুখ দেখোন দেখা নাই। যদি সুখ দেখা নাই তেন্তে সুখৰ বিপৰীত অৱস্থাই দুখ। তাৰেকো হেপাহ পলুৱাই খাইছোঁ, পিন্ধিছোঁ, শুইছোঁ, ফুৰিছোঁ, আছোঁ। মই দৈৱকী আইক যি কওঁ, তাকে শুনে। অইন কি—মাটিকে সোণ বুলিলে তেওঁৰ মানত মাটিয়ে সোণ। নামতহে মই দাসী, কামত ঘৰৰ গৈণীজনী। এনেহলত মোৰ এই অৱস্থা দুখ নহয়। যদি দুখ নহয়, তেন্তে এয়ে মোৰ অৱস্ত

সুখ। মই তেন্তে সুখী। মোৰ সুখৰ অন্ত নাই। আহা! মই বৰ সুখী। পৃথিৱীত যদি সুখী আছে, তেনেহলে ময়েহে মাথোন। আজিৰপৰা ঠিক হল, মই সুখী। বাৰু, চাওঁচোন আৰু কোনোবা মোৰ নিচিনা আছেনে? নাই। বাৰু; মোক বাণীয়ে কেতিয়াবা পাগলী বোলে; মই চাওঁতে মই সুখত থকা খিয়ালতহে সেইদৰে গালি-শপনি পাৰে। যদি গালি পাৰে, তেন্তে মই পৰৰ অধীন। পৰাধীন জীৱৰ নো কত সুখ? পৰাধীন হওঁনে নহওঁ, চাওঁচোন বাৰু। কেতিয়াও মই পৰাধীন নহওঁ। মই যদি পৰাধীন সংসাৰ গোটেইখন পৰাধীন। ৰজানো কি স্বাধীন? ৰায়তৰ কৰ আদায় কৰিব নোৱাৰিলে খাবলৈ ভাত নাই। দেশ ৰাখি নেথাকিলে লোকে কৰ নিদিয়ে। কৰ নেপালে কিহৰ ৰজা? সকলোতকৈ ৰজাকে ডাঙৰ বোলে, তেনে ডাঙৰ ৰজাইও ৰায়তৰ কৰ নেপালে খাবলৈ নেপায়। এনেহলত ৰজা মোৰ বিবেচনাৰে সুখী নহয়। স্বাধীন নহলে সুখী হব নোৱাৰে—এতেকে স্বাধীন বুলিনো কাক ধৰিম? বাৰু, আই আহক, আজি তেওঁৰে সৈতে এটা মীমাংসা কৰি থিৰ কৰিম।

ভাল কথা হল! মোক ঘৰটো সাৰি ঠাইখন জঁটাবলৈ কৈছিল। মই সুখ বিচাৰি থাকোঁতেই গল। (ভৰিৰ খোজ শুনি) অ' লোকে ওলাল-ছিয়েই। (শোটাটো লৈ ঠাই সাৰে) মই কিবা-বোৰ হে ভাবিছোঁ—প্ৰেমৰমান সুখ নাই। তাৰৈলেকো কলোঁ বুঢ়ী, বুঢ়া এটা পালে জানিলা হয়। বুঢ়াই জানো বুঢ়ী বিচাৰে—বিচাৰে যদি গাভৰু হে বিচাৰিব। মই কহঁতে বুঢ়ী হোৱা নাই। ভালকৈ মুৰ-গা জঁটাও মুঠেই, ভাল ডেকাটোৰো চকু লৈ যাব।

(দৈৱকী, কৃষ্ণ আৰু বলৰামৰ প্ৰৱেশ)

দৈৱ।—কত ডেকাৰ চকু লৈ যাব অ' চঞ্চলা?

চঞ্চ।—মোৰ কথাবোৰ আই, শুনিলেনে কি?

দৈৱ।—শুনিলোঁতো পাগলী!

চঞ্চ।—তেন্তে ভাঁবিলে কি হয়? আই, প্ৰেমৰমান জগতত সুখ নাই—নহয়নে বাৰু?

বল।—বুঢ়ী তোৰ প্ৰেম কৰিবৰ মন গল? আহা! ৰূপসীৰ ৰূপ চোৱাঁ। পাগলীৰ চিৰকালেই প্ৰেম। যা বুঢ়ী, গৈ বিচাৰি যা। প্ৰেমিকা হৈ ভিতৰত সোমাই থাকিলে কত প্ৰেম পাবি? বেটীৰ কথাৰ ভাব চোৱা?

কৃষ্ণ।—সখা, চকলাক বিছাৰে বং উঠি ঠাট্টা কৰিছ।
কিয় ? জগতত কোন অপ্ৰেমিক আছে ? আকাশত চোৱাঁ, প্ৰেমিক চন্দ্ৰই প্ৰেম বিলাইছে, পৃথিবীত চোৱাঁ, মানুহে মানুহে, চৰাইয়ে চৰাইয়ে, সদায় ইটোৱে সিটোক প্ৰেম বিলাব লাগিছে। সংসাৰ গোটেইখন প্ৰেমৰ হাট। অইন কি— পৰ্ব্বত-নৈ, তৰু-লতা সকলো এ-কাখনি প্ৰেমৰ চিত্ৰ মাথোন।

চক।—মোৰ বোপাই নে কোন ? মোৰ প্ৰেমময়ে সকলেপৰা প্ৰেম চিনিলে। মোক মোৰ লাহৰিয়ে বুজাই নিদিলে, দিব কোনে ? এনে প্ৰেমিক নন্দলে আনো ব্ৰজবালা-সকলক বাঁহীৰ মাতত উন্মাকুল কৰিব পাৰে ?

বল।—বুঢ়ীয়ে দেখোন আশ পাই গলনৈকে জপিয়াব।

দৈব।—বোপা, তোমালোকে মনে-মনে থাকা। তাই পাগলীবলগত এইবোৰ সুখ-চুপতি নকৰিবাইক।

কৃষ্ণ।—আইতা চকলাৰ কথা শুনি মই তাইক পাগলী বুলিব নোৱাৰোঁ। সদাই কথা নপতি খপহুকৈ মানুহৰ সুখ সংহাৰি দিলে। সকলোৰে মনত সুখ আছে, প্ৰেম আছে, আশা আছে, মনে-মনে নিজক

নিজে ভাল বুলি বিশ্বাস কৰে। তেনে ভাবত আমি কাকো বঞ্চিত কৰিব নোৱাৰো। মুখৰ মিঠামাতে মানুহক যিমান বশীভূত কৰিব পাৰে, আইন একোৱে সিমান বশ কৰিব নোৱাৰে। মিঠামাতেৰে মানুহক তুষ্ট কৰিবলৈ একো খৰচ-কপৰ কৰিব নেলাগে। এনেস্থলত মানুহক টেঙামাত দিয়া মোৰ মনেৰে নিতান্ত ভুল।

চক।—মোৰ সোণাইক মই কত থওঁ, কি কৰো? মোৰ সোণাই মহাজ্ঞানী। মোৰ সোণাইৰ কথাত যে মানুহ মোহিত নহব—হব কাৰ কথাত?

দৈব।- বলৰাম, গোপালে চকলাক তুমি ঠাট্টা মস্কৰা কৰাত পেটে সমৰিতে বেয়া পালে। ভাইটিবোৰৰ কথা-বোৰ ন্যায়সঙ্গত। তুমি ভাইটিবোৰৰ কথা শুনিবা নেই মইনা! এতিয়া ব'লা ভিতৰলৈ যাওঁ। তোমালোকৰ ভোক লাগিব পাৰে, অথনিয়েই খালাঁ—এতিয়া ব'লা কিবা কিবি খাই আহিবাহক।

বল।—আইতা! সেউতাই চাগৈ ভিতৰত টো আছে, আমি যাওঁ খলক। পঢ়িবলৈ যোৱাতো এটা ঠিক কৰিব লাগে। মোৰো পঢ়িবলৈ বৰ মন গৈছে।

কৃষ্ণ।—মোৰ হলে বলা, সমূলি ভোক লগা নাই।

কেনেকৈ বিদায় হৈ মুনিৰ পদ্মাপালি পাওঁগৈ, তাকেহে ভাবিছোঁ। ব'লক, এটা যাবলৈ দিন ঠিক কৰোঁগৈ।

(দৈৱকী, কৃষ্ণ আৰু বলৰামৰ প্ৰস্থান)

চক্ৰ।—মই এতিয়াহে বুজিলোঁ, কালিয়া প্ৰেমৰ খনি। তালেহেতাহে গোপিনীহঁতে ৰাধাৰ মাতত বিভোল হৈ পাগলীবনবে ঘূৰিছিল। আজি কলিয়াৰ মৌ বৰষা মিঠামাতে মোৰ চিত্ত হৰি নলে। ঠিক কথা, সংসাৰত প্ৰেমেই সুখ। এতেকে প্ৰেম লাভৰ উপায় চিন্তাহে বুদ্ধ। প্ৰেমনো কি? ভাল-পোৱা। ভাল-পোৱানো কি? ৰবকৈ মৰমেৰে ভালপোৱা। ৰবকৈ ভালপালেই প্ৰেম হয়। তেন্তে সকলোকে ভালপায়। ভালপায় হয়, মোক আকৌ অইনে ভালপালে হে হৈছে। ভালপায় কেনৈ? কি ভালপায়? দেখিবলৈ ভাল হলে ভালপায়। দেখিবলৈ ভাল গুৱনি হলে। মই গুৱনি হওঁনে নহওঁ? অৱশ্য হওঁ—কিয় নহম? গুৱনিনো হয় কিহৰপৰা? ৰূপ থাকিলে। তেন্তে মোৰ ৰূপ আছে। ৰূপনো কি? দেখিবলৈ ধুনিয়া হোৱা। দেখিবলৈ ধুনিয়া হবলৈ হলে কি কি লাগে? মূৰত কেচা চুলি, সমান

দালিম-গুটিৰেন দাঁত, সুগোল দেহা, মুখত হাঁহি, চকুত ঠাৰ, হংসৰ গতি; ইয়াৰ উপৰিও কিছুমান উপায় আছে যেনে:—মূৰত সেন্দুৰ, কাণত খাৰু, খোপাত ফুল, গাত চিত্ৰ-বিচিত্ৰ কাপোৰ। যাই নহও পাহৰিছোঁ—মুখৰ মিঠা মাত। এই আটাইবোৰ গুণ মোৰ গাত একেলগে নাই বুলিলেও হয়। কিন্তু নহওক, চেষ্টাৰ অসাধ্য একো নাই। প্ৰেমৰ জগতত যদি প্ৰেম ঘটিব আৰু দিলাৰ নোৱাৰিলোঁ। তেন্তে জীৱনেই মিছা।

গীত

চক্ষু। - এতিয়া আদৰে কোনে মোক ?

বয়স দিলেহি ভাটী, যৌৱন কৰিলোঁ মাটি,
সহি আছোঁ দিনে ৰাতি, যত মোৰ দুখ।
ডেকাক দেখালে বুকু, সুধুৱাই দেখোঁ চকু,
বুঢ়ী বুলি ডাঙে ভুকু, পাওঁ কত দুখ।
যেতিয়া পাকক কাল, গপতেই গল ভাল,
প্ৰেমক দেখিলোঁ কাল, এতিয়াহে শোক।

(প্ৰস্থান)

চতুৰ্থ দৰ্শন

দৈৱকীৰ অন্তঃপুৰ

বসুদেৱ আৰু দৈৱকী

বসু।—প্ৰিয়সি, পিতৃ-মাতৃৰ দোষত সন্তান-সন্ততি মূৰ্খ হয়। মূৰ্খ সন্তান থকাতকৈ নথকাই ভাল। পুত্ৰই যেতিয়া বিদ্যা শিকিবলৈ নিজেই ইমান আগ্ৰহ দেখুৱাইছে, আমি তাত বাধা দিয়া নিতান্ত অহিত।

দৈৱ।—হে স্বামী! মই আপোনাৰ দুটি ভৰিত ধৰি কাকুতি কৰিছোঁ, মোৰ চকুৰ মণি দুটি আঁতৰ নকৰিব। মই প্ৰভু, সিহঁতক নেদেখিলে নিশ্চয় মৰিম। মাইকীৰ পেটে এনে শোক কেতিয়াও সহিব নোৱাৰে।

বসু।—সিহঁতৰ ভালৰ নিমিত্তেহে মই পঠিয়াবৰ মন কৰিছোঁ। কৰ্ত্তব্য কৰ্ম্মত ব্যাঘাত কৰা জ্ঞানীৰ কাৰ্য্য নহয়। সিহঁতে এতিয়া শিকব মতাৰ বেছিকৈ জানিছে ইমান বিকত হৈছে।

দৈৱ।—নাথ, লৰা মানুহ বুজিব নোৱাৰি দেখাক-দেখি পঢ়িবলৈ ওলাইছে। আপুনি প্ৰভু, মোক হেপাহৰ ধন আৰু চেনেহৰ বস্তুবা। যেন বঞ্চিত নকৰে।

বসু।—বাপি, মই সিহঁতৰ কথা কাটিব নোৱাৰি অনুমতি দিলোঁ। তুমি যদি পাৰা বুজাই বাধা। মোৰ তাত একো আপত্তি নাই।

দৈৱ।—কিন্তু হৈ এনে নিদাৰুণ কাৰ্য্যত প্ৰভু, কেনেকৈ অনুমতি দিছে, মই ইয়াৰ একো মূৰ ধৰিব পৰা নাই।

(বলৰাম ও কৃষ্ণৰ প্ৰবেশ)

বল।—আইতা! আমি যাবলৈ ওলালোঁ।

(দুয়ো সেৱা কৰে)

দৈৱ।—নেলাগে মোৰ লাহৰিটহঁত, তোমালোকে যাব নেলাগে। মই ইয়াতে পণ্ডিত ধৰি দিয়াম, তোমালোকে ঘৰতে থাকি পঢ়াহঁক।

কৃষ্ণ।—আইটা! কিয় ইমান ব্যাকুল হৈছে? আমি নিজৰ জ্ঞান উপাৰ্জ্জন কৰিবলৈ ওলাইছোঁ। সেইবাবে ৰংমনেৰে আমাক আশীৰ্ব্বাদহে কৰিব লাগে। জ্ঞান অৰ্জ্জনটোকৈ পৃথিৱীত আৰু আন কি ভাল কাম আছে?

দৈৱ।—আৰ সোণাই! মইনো কাৰ মুখ চাই ইয়াত

থাকোঁ ? তোমালোকক এখন্তেকো নেদেখি থাকিব নোৱাৰোঁ ; এক পলককে এক যুগ যেন অনুভৱ হয়। তোমালোকক নেদেখিলে গোটেইখন আন্ধাৰ দেখোঁ। নেলাগে, মোৰ আচলৰ ধন আচলতে থাকাহঁক। যি বিদ্যাকে শিকিব খোজা, ঘৰতে ওজা আনি দিওঁ, তাকে বংশনেৰে শিকি থাকা। দূৰনি-বাটত গৈ থাকিব নেলাগে। মই তোমালোকক চকুৰ আঁৰ কৰিব নোৱাৰোঁ। তোমালোকক নেদেখিলে পৃথিৱী গোটেইখন আন্ধাৰ দেখোঁ।

কৃষ্ণ।—আইতা, আপুনি মোৰ মায়াত মুগ্ধ হৈছে। সংসাৰত কেওঁ কাৰো নহয়। সকলো মিছা মোৰ প্ৰাণপখী যদি চকুৰ আগতে দেহা-সজা এৰিব লগা হয় ; তেন্তে কি উপায়েৰে তাক ধৰি ৰাখিব ? চৰ্ম্মচকুৰে হে আপোন সি পৰ—এনে ভাব হয় ; কিন্তু দিব্যচকুৰে সকলো সমান। এতেকে মোহ পৰিহাৰ কৰি বিদায় দিয়ক। আমি তাত বেচি দিন নেথাকোঁ, যিমান সোনকালে পাৰোঁ আকৌ ঘূৰি আহিম।

বল।—আইতা, গোপালৰ নিতান্ত যাবৰ ইচ্ছা হৈছে, বাধা নকৰিব। ভাইটিৰ মুখত আজি কেবাদিনৰো

মুখত হাহি দেখিছিলোঁ, আপুনি সেই হাহি মাৰ নিয়ালে। চাই থাকোঁতেই আছি আকৌ পামহি। একো চিন্তা নকৰিব, আমাক শুদ্ধচিত্তে বিদ্যা শিকিবলৈ বিদায় দিয়ক।

দৈৱ।—মোৰ লাচৰিহঁত ঐ! মইনো কেনেকৈ সহোঁ? এক্ষন্তিকমানো নেদেখি থাকিব নোৱাৰোঁ। দেখোন।

(শোক কৰে, চকুৰ পানী বয়)

কৃষ্ণ।—আইতা, সহিলে সম্পদ নসহিলে আপদ। আমাক বং-মনেৰে বিদায় দিলে অলপতে আমাৰ বাঞ্ছা সফল হবে। মাত্ত, শোক পৰিহাৰ কৰি বিদায় দিয়ক। নিজৰ কৰ্ত্তব্য কামলৈ মোহত পৰি পিঠি দিয়া বৰ অন্যায় কাৰ্য্য।

দৈৱ।—ঈশ্বৰ তোমালোকৰ সহায় হক, শীঘ্ৰে মনোবাঞ্ছা পূৰ্ণ কৰাই কোলাৰ বস্তু যেন মোৰ প্ৰভুৰ চৰণে কোলালৈ আনক। ইয়াৰ বাহিৰে মই দুখুনীয়েনো কেনেকৈ বোলোঁ বুলি বিদায় দিওঁ?

(কৃষ্ণ বলৰামে সেৱা কৰে)

বল।—আইা গোপাল, দেউতাৰো বিদায় লওঁ।

(দুইয়ো সেৱা)

বসু।—পৰমপিতা, অনাথৰ নাথ, জগবন্ধুৱে তোমালোকৰ মনোবাঞ্ছা সিদ্ধি কৰক।

(চকলাৰ প্ৰবেশ)

কৃষ্ণ।—চকলা! আমি লেখা-পঢ়া শিকিবলৈ যাওঁ; তই থাক দেই! আমি বেগেতে আহিম। মনত একো বেজাৰ অসন্তোষ নকৰিবি।

চক। কলৈ মোৰ সোণাইহঁত?

বল।—তোক কেলৈ বুঢ়ী খুণ্ডলি?

কৃষ্ণ।—দদা, কেলৈ তুমি চকলাক তেনে নিঠুৰ কথা কলা? তাই আমাক কেনে মৰম কৰে! দেহি! মনত দুখ পালে চাগৈ। ধৰৰ মানুহ গুপেহে বুজিছে। তাইৰ-নো আমাৰ বাহিৰে কোন আছে? আমাক মোৰ বুলিহে ইমান দিন নিজ। সন্তানৰদৰে মৰম-চেথা কৰি কোলাত লৈ তাইৰ জীৱন কৰিছে। আমাৰ লগতে তাই থাকিব পাৰে। মই চকলাক বৰ ভাল পাওঁ। তুমি তাইক একো টান কথা নকবা। দদা! মানুহক কথাৰ কথাত ভাবি চুকি দিলে খাক ইংকিং কৰিলে বৰ বেজা পায়।

চক। মোৰ সোণাইৰ নিচিনা জ্ঞানী সংসাৰত কত আছে?

কৃষ্ণ।—চকলা আমি ইয়াৰপৰা তিনি মাইল বাট দৈ তাত সান্দীপনি মুনিৰ ঘৰত পঢ়িম। তেওঁ বৰ জ্ঞানী মহৰি আৰু পণ্ডিত। আমি তাত সৰহ দিন নেথাকোঁ, বেগেতে ঘূৰি আহিম।

চঞ্চ।—(নৈৰকীৰ) আই, ইয়াত থাক সোণাইহঁতক পঢ়াওঁতা পণ্ডিত নোলালনে? আহা! সোণাইক মই নেদেখি কেনেকৈ জীওঁ! সোণাই, মোকো লগত লৈ যোৱাঁ। মই নেতৌৱে নেদেখিলে কেনেকৈ থাকিম? (কান্দে)

বল। এতিয়া নেদেখিবাঁ—সেইহে তেও মই তাইক আগ নিদিওঁ। আমি যাওঁতে বিদায় লৈ আহোঁ। সেটো কৰবাৰপৰা আহি এইখন হুকা-নধা কৰিছিহি। হুচ পাগলী, ইয়াৰপৰা অন্তৰিয়া হ'। মুখৰ খুইনি চকু টুকি সাদৰখন চেলাই দেখুৱাব নেলাগে।

কৃষ্ণ।—দদা, তোমাৰ এনে উগ্ৰ স্বভাৱ বৰা নিতান্ত অন্যায়। তাই আমাক ভালপায়, সেইগুণেহে যাওঁতে ওলোৱা দেখি মনত বেজাৰ কৰিছে। মাতাৰ জগতত তাই আমাৰ মাযাত পাৰ মনত শোক পাইছে। তুমি চঞ্চলাৰ নিচিনা মৰমিয়ালকে প্ৰেমিক বুলি ধৰিবা। এনে প্ৰেমিক জগতত পোৱা বৰ টান। যি সকলোকে চঞ্চলাৰ চকুৰে চাই মৰম কৰিব পাৰে, সেয়ে অচল প্ৰেমিক। মোৰ চঞ্চলা আপোন, মযো চঞ্চলাৰ আপোন। (চঞ্চলাক) তই মনত বেজাৰ নকৰিবি দেই। আমি আকৌ ঘূৰি আহিম। ললাই

দদাই তোক সেইদৰে ধেমালি কৰেই। মোৰ শপত চঞ্চলা! খেলা নেপাবি, পেটৰ খোৱালিয়ে জগৰ লগালে মাকে জানো ধৰে? আমি তোৰ ঋণ পৰিশোধ কৰিব নোৱাৰো। তোৰ নিস্বাৰ্থ চেনেহৰ মূল্য নাই।

চঞ্চ।—মোৰ সোণাইহঁত! তোমালোকে মোক নকৈ, কওঁ কাক? জুইয়ে পোৰে, পানীয়ে চেঁচা কৰে। দুয়ো উপকাৰী। জুই নহলেও নহয়, পানী নহলেও নহয়। জুই আৰু পানী দুইবো মিলহলে মহা পৰাক্ৰম হয়। সংসাৰত উগ্ৰ আৰু শান্ত এই গুণ দুটি নহলে সংসাৰ থাকিব নোৱাৰে। মই উগ্ৰ আৰু শান্ত গুণ দুটি তোমালোক দুইতো পাই যে, কিমান সুখী তাক কৈ অন্ত কৰিব নোৱাৰো। মইনাইঁত, তোমালোক দুটিক দেখিলে মই আনন্দ-সাগৰত বুৰি থাকো। এতিয়া যে কেদিনমানলৈ চকুৰ আঁৰ হবাহক তাকনো সহিব পাৰিমনে? তোমালোকৰ পদসেৱা কৰিবলৈকে যেন জন্ম-জন্মান্তৰে এইদৰে দাসী জন্ম পাওঁ।

কৃষ্ণ।—চঞ্চলা, তোৰ অচলা ভক্তি আৰু অসীম প্ৰেম। তোৰ মৰমত মই পমি আছোঁ। এতিয়া তই মোক

বিদায় দে। তই বিদায় নিদিলে চাচোন মই কেনেকৈ যাওঁ?

চক্ৰ।—মই সাদৰি তোমাক যোৱাঁ বুলি কব নোৱাৰোঁ। তোমাক নেদেখি মই কেনেকৈ থাকিম? ইমান দূৰত থকা সহিব নোৱাৰোঁ। মই দিনে চাই থাকিবলৈ পাব লাগে। তোমাক নেদেখিলে মোৰ পেটত ভাত তিল নেযায়।

কৃষ্ণ।—তই মোক দিনে দেখা পাবি। চকুমুদিও অন্তৰত দেখা পাবি। যি যাক বাঞ্ছে, সি তাক অনায়াসে পায়।

চক্ৰ।—মই যেতিয়াই চাম তেতিয়াই দেখা দিব লাগিব। যাক, যোৱাঁ।

বল।—অ ঘুগুলী ময়ো যাওঁ। মোকতো তই ভালকে নেপাব। থাকিবি দেই।

(দুইজো প্ৰস্থান)

চক্ৰ।—ভালপাওঁ বা নেপাওঁ তোমাক কেনৈ? মোৰ হিয়াৰ কথা হিয়াৰ ভিতৰত সোমাই চাব পৰা জনেকে জানে। যোৱাঁ, মোৰ সোণাটিহঁত।

গীত

চন্দ্ৰ।—দিবা দৰশন প্ৰভু, দিবা দৰশন,
চাওঁ যদি মেলি মই হৃদয় দাপোন।
পাৰাহীন কাচপ্ৰায়, অকামিলা হিয়া হায়,
তাতো ভৰি পাপ-ছাই, আছে অগণন।
নকৰিলে নিজ গুণে নিকা তাক কৰে কোনে?
তাৰেবাবে তোমাৰ বিনে, নাই নাৰায়ণ।
পামৰ মূৰ্খ মতি, নেজানো ভকতি স্তুতি,
ভৰসা কেৱল দুটি, অভয় চৰণ।



দ্বিতীয় অঙ্ক

প্ৰথম দৰ্শন

অৱন্তীনগৰৰ বাট-আলি

উপম ও চেনিমাই

চেনি।—হঁয়ে, এতিয়ান যাওঁ উঠ।

উপ।—বহচোন হঁয়। আমৰ এতিয়ান ভাত সাবৰ পৰকে হোৱা নাই। তোৰ চকু ফুটিল, দেখা নাইনে? এই বামহনা অলপ হাতে থিয়াই আগৰ পেলুৱাৰ গুণ হৈছো হঁয়!

চেনি।—চিকণ চাঃয়, পানী আনোতে ভলাল যাম। এবে বজাৰ কুৰবাঁজনী ভালি হঁয়, অকণমান পাতিৰ যোজাটোকে নিবেগে নোৱাৰ।

উপ।—মোৰ লগত এইসব তেকচালি মকবিবি হঁয়, তোৰলৈ বাবে-পৈয়াতী নহওঁ। চুপতি কৰিলে পালি সাবি।

চেনি।—কিহৰ খলনি গালি সাম হ'ব? যাবেলে শুণালেও জগৰ লাগে। সেখালে পাক হ'ব, অকলৈ যাম; আমৰ ভাত সাবৰ বেলি হ'ল।

(বেংকলা সকাই গীত গাই নালিয়াৰ প্ৰবেশ)

গীত

নালি।—হৰি পদ চিন্তা কৰ, ভেৰ মূঢ় মন।
হৰি পদ চিন্তা বিনে বিফল জীৱন॥
দুৰ্লভ মনুষ্য তনু, লভিছ কথম্পি পুনু.
হেলালে নেপাব আৰু যাব অকাৰণ।
হৰিৰ পদকে নিতে, চিন্তা কৰ শুদ্ধ চিতে,
হৰিহে সবাৰো গতি জীৱনে মৰণ।
দিনে ৰাতি চিন্তা কৰ শ্ৰীহৰি চৰণ॥

পোহাৰী বাইক'ন ঐ! মোৰ গাত শুনিলি নহয়, এতিয়া মোক কি আছে দে খাওঁ। তইত বাই, বৰ দেখিবলৈ ভাল অ'! পাচিত কি আছে চাওঁ?

চেনি।—কৰণেৰা আকলা, কত দিলা ভৰি; চোঁতালদল ফাটি গল চেট্ চেট্ কৰি। হে হ'ক, পৈয়েৰে সাবেলে শুণাইছে, নিদিয় কেলৈ?

উপ।—হবে দিবৰ মন যায় যে. নিদিবৰ মন যায়

নিদিাৰ। মোক কেনে খোৱাই দিছ হঁয়? তোৰ হে মাৰৰ পৈয়েক নাপেৰ।

নাল।—তইত দুই জনী মোৰ আই হৰহঁত। তহঁতে মিছাতে কেনে দন্দ্ পাতিছ। তহঁত দুয়ো মোৰ আপোন। মই মগনীয়া বুঢ়া, মোৰ সকলো আই-বোপাই। তহঁতে বাইহঁত মৰম নকৰিলে কোনে কৰিব?

উপ।—বুঢ়া, তোৰ গীতটো শুনি মই বৰ ভাল পালোঁ। আৰু এটা গাচোন বাৰু। মোৰ বোজাত কল, টেঙা, টিহোঁ, কিবা-কিবি বহুত আছে দিম। ভাল চাই এটা গা।

চেনি।—হঁয়ে, পৈয়েৰৰ গাধৰ চিঁঙৰ শব্দটো বৰকাই চেণ্ড-কৰট সন টাান আমক শুনাব নেলাগে। আমি গধুৰ পাই বোজা পাতল কৰিবেলে ওপোৰা নাই। তুই নিবেলে নোৱাৰি পৈয়েৰক নিলাগ ওপাইছ বিলা। আমাক দিবেলে নকৰি হৈব।

নালি।—বাইহঁত, তহঁতক দেখিবলৈ বৰ শুৱনি দেখিছোঁ। তহঁত বৰ প্ৰেমিকা যেন লাগিছে। প্ৰেমৰ গীত গাম নে?

চেনি।—পৈয়েৰে প্ৰেম বিচাৰিছে, যে এতিয়ান হৈব। অ

বুঢ়া ককাই, মই এটা গামনে? মই বনঘোৰা হলে বহুত পাবেলে জানো, পিচেন এতিয়ানি বনঘোৰা গোহাৰ খবৰ মচম।

নালি।—সেহ বাঁ কংহী, জগতত সেংৰ বাঁহবে একো নাই। যেনিয়ে চাবা তেনিয়ে শেন। গোৰ্বা মোৰ লাহৰী! বনঘোৰাকে এটা গোৰ্বা।

গীত

চে।—নংৰে ডেকা লৰা, গাভৰু কি এনেই ভুলে?
প্ৰেম কৰা নহয় চিন্তা, মন প্ৰাণ নমজিলে;
গাভৰুৰ মন জানো, বুঢ়াৰে মিলালে মিলে?
গাভৰু ডেকাই যেনে সোণত সোহাগা দিলে।

নালি।—অতি মধুৰ! বেছ পালো, আৰু এটি গোৰ্বা হে প্ৰেমৰাণী!

চেনি।—আমি তোমাৰ ৰাণী নহওঁ, এই জনাহে তোমাৰ প্ৰেমৰাণী, এওঁক গাবলৈ কোৱা।

উপ।—বুঢ়া মানুহক কেনে ঠাট্টা-মস্কৰা কৰ হয়। দুদিন পিচত আমিও বুঢ়ী হম।

নালি।—তুমিয়ে এটি গীত গাই মোৰ প্ৰাণ শীতল কৰা। মই বেহেলা বজাওঁ, তুমি এটি গোৱা। এই

মই সুৰ ধৰিলোঁ, তুমি গোৰ্হা দেইবা !

(মনযোগ দি বেহেলা বজায়)

(বলৰাম ও কৃষ্ণ আহি বেহেলা শুনি থাকে)

নাপি।—(সুৰ ভাঙি) তোমালোক কৰপৰা আহিছাঁ বোপা-ইত ?

কৃষ্ণ।—আমি বহুত দূৰৰপৰা আহিছোঁ আপ ! অৱন্তীনগৰ ইয়াৰপৰা কিমান দূৰ ?

নাপি।—বেচি দূৰ নাই সোৱা। কাৰ ঘৰলৈ যোৱাঁ ?

বল।—আপ ! আমি পঢ়িবলৈ আহিছোঁ। সান্দীপণি মুনিৰ পঢ়াশালি তুমি চিনি পোৱাঁনে ?

নাপি।—ওঁ, পাওঁতো। তেওঁৰ ঘৰৰ আগতে পজা এজুখৰিলৈ মই থাকোঁ।

কৃষ্ণ।—তুমি কলৈ গৈছিলা আপ ?

নাপি।—কলৈ যাম বোপাই ? ধগনীয়া বুঢ়া। মাগি ফুৰোঁ। সৌ পাৰত মাগি এই চাউলখিনি আনিছোঁ, দুদিনমান ঘৰত বহি খাই হৰিকীৰ্ত্তন কৰি থাকিম।

বল।—তুমি ঘৰলৈ কেতিয়া ওভতিবা ?

নাপি।—ঘূৰি আহিলোঁ। এতিয়া একেলগে যাওঁ বলা। মই তেওঁৰ ঘৰ দেখুৱাই দিম। তোমালোকে কৰপৰা আহিছাঁ—কাৰ ঘৰৰ ?

—৩

কৃষ্ণ।—আপ। মথুৰাৰপৰা আহিছোঁ। আমি বসুদেৱৰ পুত্ৰ। আমাৰ নাম কৃষ্ণ বলৰাম।

নালি।—তোমালোকৰ ঘৰ বহুত দূৰ—কেইদিনে এইখিনি পালাহি?

কৃষ্ণ।—আজিৰে ৩ দিন হৈছে। পৰশু দিনাই ঘৰ এৰিলোঁ।

নালি।—উস! হৰি! হৰি!! ৩ মাহৰ বাট ৩ দিনে কেনেকৈ আহিলা বোপাইত? তোমালোকে পাহাৰতে মথুৰা বুলি কৈছা—মথুৰা বহুত দিনৰ বাট।

বল।—আপ! মিছা কথা কোৱা নাই। মোৰ এই ভাই টোৱে কিবা ভেলকি মন্ত্ৰ জানে। ই মোক উকৰাই অনাদি আনিছে!

নালি।—আহা! তোমালোকৰ ৰূপ দেখি মোহিত হৈছোঁ। তোমালোকৰ কি সতে পিতৃ-মাতৃয়ে ইমান দূৰলৈ আহিবলৈ অনুমতি দিলে? ঘৰত বিদায় লৈ অহা নাই হবলা!

কৃষ্ণ।—আপ! পিতৃ-মাতৃৰ সমান গুৰু জগতত আন কেও নাই। তেনে গুৰুৰ আদেশ নহলে আমি কিয় আহিম?

বল।—(চেনিমাইক) পোহাৰী বাই, তোৰ পাচিত কিবা খাবলগীয়া বস্তু আছেনে? পোনপটে আজি একো খোৱা নাই, লৰা মানুহ ভোকত দুখ পাইছে, কি আছে দে!

চেনি।—মরমত মরি যাও ; খাদরর দেলাই আদুর মুরত তেল দি জবকারে মেলাও। আই ঐ ! সোণাইটি, চাদি আহা চুমা খাও। আমর এলেকর খবর পেলেক কুকুরা তোরার ভাগিনীয়েকটো আহিছে, গুঁরে গাদীরে জল-পান এবাটি খুরাও।

বল।—বাই, তুই ইতিকিং করিলি ? এনেই খোজা নাই, পইচা দিম।

নালি।—বোপাটি, ইইত ডুমুনী—ইইতর লগত চুপতি নক-রিবা সোণাই ! মোর জোলোঙাতে কোমল চাউল গোটাদিয়েক আছে, তাকে খোরাইক !

কৃষ্ণ।—তুমি বুঢ়া মানুহ মাগি আনিছুঁ, তুমি খোরা। তোমার মুখর টোপটো কাঢ়ি খোরা অন্যায়।

বল।—বুঢ়া আপ, তুমি খোরা নব ইইতরপরা কি আছে কিনি লও।

চেনি।—আমি বাটত বেচিবেলে অনা নাই। হাটহলে বেচিম, ইয়াত নেবেচোঁ।

নালি।—আইটি ! বাটকরা মানুহ তাতে লরা, ভোকত দুখ পাইছে। চাচোন মুখখনি শুকাই গৈছে। দেখি মরম লগা নাইনে ? দে আইটী ! কি আছে দে। চাউডছে পইচা পাবি—ইয়াত জানো একবোর খোজা-

কটি ? লাগে দাম সমহকৈয়ে ল। মযো মাগি তুই অনামান পইচা পাইছো, তাকো দিম। (বলৰামক পইচা দিয়ে) ধৰা বোপা, এইয়া মোৰ হাতত আছে। তোমালোকে খৰচ কৰিব নেলাগে।

কৃষ্ণ।—আপ! মোৰ ভোক লগা নাই। নগৰত গোসাই কিৰাকিৰি কিনি খাম। দিব নোখোজে নেলাগে।

নালি।—(কলকেটামান দি) মোৰ শপত বোপা, এই কলকেটাকে খোৱাইক। আই ঐ দেচি! ভোকত মুখ শুকাই গৈছে।

কৃষ্ণ।—তুমি মাগি আনিছা, তোমাৰ ই বহুমূলীয়া বস্তু। ইয়াক খাবলৈ মন নেযায়। তুমি খোৱাঁ আপ।

নালি।—মই মাগি অনা বুলি ঘিণ নকৰিবা বোপা। তোমালোক অতিথি সাক্ষাৎ ঈশ্বৰ। তোমালোকক খুৱালে মই পৰম তৃপ্তি লভিম। নেখালে মই বৰ বেজাৰ পাম।

কৃষ্ণ।—তুমি পৰম বৈষ্ণৱ! (বলৰামক) আহাঁ দদা, বৈষ্ণৱৰ ইচ্ছা পূৰ্ণ হক, সকলোৱে ভাগ কৰি খাওঁ।

(আটাইবোৰে ভাগ কৰি খায়)

উপ।—প্ৰভু! মই তোমাক চিনি পাইছো। মই মহাপাতকিনী। এই দাসীক এবাৰো একো কৃপাৰ্দ্দ

মই তোমাক কি অপৰাধ কৰিলোঁ ঈশ্বৰ ! (শোক)

কৃষ্ণ।—তুমি কিয় বেজাৰ কৰিছা ? তুমি একো অপৰাধ কৰা নাই। (বলৰামক) দদা, তুমি কিবা কপৰ দগাৰ্দাগে কি ?

উপ।—পৰভু, মোৰ পাচিত সাবেলে ভাল ফল-মূল বহুতো আছিল, তাক এবাৰো নেচালা। এবাৰ ওচৰ চাপি বোকাতনো কি আছে, তাকো শুধুদিলা। মোৰ বোকাটো খিণ কৰিছে চকু দিয়া নাই।

কৃষ্ণ।—তোমাৰ সেচিবলগীয়া বস্তু নষ্ট কৰিবৰ মন নাই। যাক, এইয়া চুই দিলোঁ, এতিয়া যোৱা।

উপ।—(পাচিটো আগতে থৈ যেলি চাই, হীৰামুক্তাদি হোৱা দেখি আচৰিত হৈ) পৰভু ! তোমাৰ মহিমাৰ খীমা নাই। দাখীক কেলৈ ইমান কাকতি কৰিছা ? মই হীৰা মুকুতা লৈ কি কৰিম ? মোৰ বোকাটো চুই এইতোৰ অমূল্য ৰতন কৰিলেও বেটাৰ মনত বং নেলাগে। মোৰ আগৰ বস্তু হক ; তাকে সেপাহ পেলুৱাই সাই তুমি তৃপ্তি লভিলেই দাখীয়ে তৰে। পৰভু, দাখীক ছল নকৰি অভীষ্ট পূৰণ কৰা। মই চুলি ছিঙি কাতৰ কৰি মাতিছোঁ।

কৃষ্ণ।—তোমাক ভালকৈ চিনি পাইছোঁ। (বলৰামক)

দধি, আটা, সতীর নিবেদিত দ্রব্য গ্রহণ করি সুখী হও। (সকলোরে ফলমূল ভগিয়াই খায়)

গীত

উপ।—ভাবিলোঁ সেটায়ে প্রভু, তথু দয়া পাই,
তোমার দয়ার ছবি, আদি অন্ত নাই।
তোমার পদতে মতি, থাকে যেন দিনে রাতি,
তোমার চরণ ভাবি, দিন যেন যাই।
তোমার প্রেমতে পরি তোমার চরণ ধরি,
থাকোঁ যেন সদা রঙে, ভক্তি মধু খাই।

বল।—এতিয়া আমি যাওঁ। তইতে থাকিবিহঁক। (নাদিয়াক) বাপ! উঠা।

কৃষ্ণ।—কল্যাণি, তুমি বংষেনেরে বিদায় দিয়া, আমি মুনির ঘরলৈ যাওঁ।

উপ।—দয়াময়, দাসীয়ে তোমার দয়া পাই পবিত্র ভাব করিলোঁ। বারেওটি কাল যেন শ্রীচরণত মোর মতি থাকে।

(সেবা করে)

(নাদিয়া, বলরাম আরু কৃষ্ণর প্রস্থান)

চেনি।—চাগে, এক লৰা চুটাক চিনি পাবনে কি চাঁয় ?

উপ।—মইচে নেলাগে পংখানৰ আটাইমলাই চিনি পায়।

চেনি।—লৰা চুটা দেখিবলৈ বৰ চিকুণ। এটা বৰ বগা, এটা আকৌ কলা। কলা লৰাটো বৰ টেঙৰ। মই সাবলৈ সোক্কাতে নিদি বৰ বেয়া কাম কৰিলো। নহয় নে হঁয় ? তই উপযাচি দিবলে দেখি মই নিচুপি হলো। বুঢ়াৰ কলকিটাও ইগাই নিদিলেমানে দেখালে। মই কলটো সাবৰপৰা মনটো বৰ পাহল লাগিছে হঁয়। আজি মোৰ মনত বৰ বং আৰু উলাহ লাগিছে।

উপ।—জগতৰ গুৰুক চকুৰে দেখিলি ইয়াতকৈনো আইপ কি আছে হঁয়। মুনিৰ ঘৰত গৈ আমি নিচে চামগৈ। এতিয়ান বাও উঠ।

চেনি।—মোকো লৈ যাবি হঁয় ! অকলৈ নেযাবি। মোৰ আজি বৰ আনিমাই হল ; বেয়া লাগিছে হঁয়।

(চুইবো প্ৰস্থান)

দ্বিতীয় দৰ্শন

সান্দীপনিৰ পঢ়াশালি

(কিছুমান ছাত্ৰ আৰু সান্দীপনি)

সান্দী।—তহঁতে সেইখন কি পুলুঙা-পুলুঙি কৰিছহঁত অ ? মনদি নপঢ়হঁত কিয় ? পথৰা সোঁকাৰ কোৰত টিকা কাটিব আকা !

১ম ছাঃ :—দেউ ! মোৰ টকাটো কোনবাই চুৰ কৰিলে।

সান্দী।—কি টকা অ' ?

২য় ছাঃ।—মিছা কথা দেউ ! সি খপিয়াই চকচোন পায়নে নেপায়। তাৰ টিকা তাৰ লগতে আছে।

৩য় ছাঃ।—(টিকাটো খপিয়াই) মোৰটো হলে তাই, মোৰ লগতে আছে।

সান্দী।—হেৰ কোনে নিছ তাৰ টকাটো উলিয়াই দে।

২য় ছাঃ।—সি দেউ, বৰ নিৰক আৰু মিছলীয়া। তাৰ কথা শুনিলে আমাৰ কাণে আহবি।

সাক্ষী।—কটা ভয়ে নিছ। দে, তালে তালে উলিয়াই দে।

১ম ছাঃ।—হয়, দেউ! সিয়ে নিব পাৰ।

সাক্ষী।—এৰা, সিয়ে নিছে। সি নিনিলে ইমানকৈ উত্তৰ কাটিব কিয়? দে তোৰ উলিয়াই দে।

২য় ছাঃ।—(নিজৰ টিকাটো উলিয়াই) চা, এইটো জানো তোৰ টিকা? মোৰ টিকাটো কেনৈ? তোৰটো চপৰিয়াই চাচোন বাজেনে নেৰাজে?

১ম ছাঃ।—দেউ, এইপিনে চকচোন, ই দেখোন কিবাটোহে দেখুৱায়।

সাক্ষী।—হেৰ নিধক! তোৰ পিঠি খজুৱাইছে হবলা। তাৰ টকাটো উলিয়াই নিদি, কি খেমালি কৰিছ?

২য় ছাঃ।—(টিকাটো দেখুৱাই) চকচোন দেউ, এইটো তাৰ নে মোৰ? তাৰটো কাপোৰেৰে চাকি থৈ মোৰটো খুজিব পাৰনে বাৰু? চুৰিয়াখন ভাঙি চক, নেপায় যদি মই দায়ী।

সাক্ষী।—ই কটা গৰু-মূৰ্খ। হেৰ সিদিনা সি লিখি থোৱা লোকৰ টকা-কৰা বহিখনত কথাহে কৈছে। এই গৰুবোৰ কৈ তাল আহকাল পাৰ লগা হল।

২য় ছাঃ।—আমি কলা বাবেমতবা মাৰখৰি ওজা প্ৰেপীত পড়ি টকাখনকে কি কৰিব? জাইনেহে কৈছে।

তেন্তে অৰ্থ বহি টীকাৰ কথা দেউ, আমি হলে ভু নেপাওঁ।

১ম ছাঃ।—দেউ, ই বৰ দুষ্ট।

২য় ছাঃ।—তোৰ মুখতে কুষ্ঠ।

সান্দী।—কেৰ নপঢ়ইত কিয়?

৪র্থ ছাঃ—ক খ গ ঘ ঙ।

২য় ছাঃ—লৰমাৰি মোৰ ··· মুঙ। দেউ, ই মোক কিন্য মুচ্‌ মুঙ্‌ কৰি আছে।

৪থ ছাঃ।—উহুঁ ভয়, সিয়ে গালি পাবে, আকৌ সিয়ে গোচৰ কৰে। বাটত সৌচ কৰি চকু পকাই ধৰে।

৩য় ছাঃ।—তইতে মোৰদৰে তলৈল মূৰ্‌ক মনে-মনে পঢ়ি থাকিব নোৱাৰ—তইতক কিহে পালে?

২য় ছাঃ।—তোক চাম্বোনে পালে।

৩য় ছাঃ।—দেউ, দেখিলেনে? ই বৰ দাস্তুৰা।

২য় ছাঃ।—দেউ, মোৰ পাত কলম নাই; মোক ভোকাই আছে, এইয়া পায়কে লাগে।

(বলৰাম ও কৃষ্ণৰ প্ৰবেশ)

কৃষ্ণ।—গুৰুদেৱ, শ্ৰীচৰণত দাসহঁতে সেৱা কৰিছোঁ।

(সেৱা)

সান্দী।—ঈশ্বৰে কল্যাণ কৰক। তাতে বহা বোপাইহঁত! তোমালোকক মই চিনি পাওঁ যেন লাগিছে।

কৃষ্ণ।—হয় প্ৰভু চিনি পাব পাৰে। আমি মথুৰাৰপৰা আপোনাৰ ওচৰত লিখা-পঢ়া বিদ্যা শিকিবলৈ আহিছোঁ। আমি দুইটা ককাই-ভাই বসুদেৱৰ পুত্ৰ। মোৰ নাম কৃষ্ণ এওঁৰ নাম বলৰাম। আপুনি জগত বিখ্যাত পণ্ডিত। কৃপা কৰি আমাক এতিয়া শিক্ষা দিয়ক।

সান্দী।—ঠিক কথা, মোৰ মনত পৰিছে। মই বৰ ভাগ্যবান। আজি মোৰ আনন্দৰ পাৰ নাই। ৰামায়ণত পাইছোঁ, বৈকুণ্ঠেশ্বৰ নাৰায়ণে ৰামৰূপে বিশ্বামিত্ৰ মুনিক গুৰু লৈ বিদ্যা শিক্ষা কৰিলে। সেইদৰে মই তোমালোকৰ গুৰু হৈ শিক্ষা দিম—ইয়াতকৈ কি সুখৰ কথা আছে? আহা! তোমালোকে বাটত আহোঁতে বৰ কষ্ট পাই আহিছা। ঘৰলৈ বলা, ক্লান্তি দূৰ কৰা-ইত লৈ। (ছাত্ৰসকলক) আজি বিদায় দিছোঁ, যাহক। কাইলৈ ঠিক সময়তে আহিবিহঁক। নাহি পলম কৰিলে সোঁকাৰ কোবত পিঠিৰ ছাল ছিগিব আকা।

(শিৰ্ শিৰ্ কৈ ছাত্ৰবোৰ লৰমাৰে)

(পুৰন্দৰৰ প্ৰবেশ)

পুৰ।—দেউ, আৰে ভাত বাকি বৈ আছে। পলম হোৱা দেখি মোক মাতিবলৈ পঠিয়াই দিছে।

সান্দী।—এই বাওঁ বাক, তই বোপাই আগবঢ়ি গৈ বাল্মীক কৈগে বুলি আজি দুজন নতুন শিষ্য অতিথি, স্বয়ং বৈকুণ্ঠৰ ঈশ্বৰ দুই অংশে ভগা বহা পবিত্ৰ কৰিবলৈ আহিছে।

পুৰ।—ভাল প্ৰভু, এই দণ্ডেই কওঁগৈ। (প্ৰস্থান)

সান্দী।—বোপাই হঁ!—তোমালোকে দেউতাৰক সুধি-মেলি অনুমতি লৈ আহিছা—নহয় নে?

কৃষ্ণ।—গুৰুদেউ! পিতৃ-মাতৃৰপৰা সংসাৰ দেখিছোঁ; পিতৃ মাতৃ মহা গুৰুৰ অনুমতি নোলোৱাকৈ কিয় আহিম?

সান্দী।—এৰা! যি ধান বাঢ়ে দুপাততে চিন। এতিয়া উঠাহঁক যাওঁ।

(সান্দীপনি কৃষ্ণ বলৰামৰ প্ৰস্থান)

তৃতীয় দৰ্শন।

সান্দীপনিৰ ঘৰ।

সান্দীপনিৰ ঘৈণীয়েক

সাঃ-ঘৈঃ।—আজি দেউৰ ইমান পলম হৈছে কিয়? আনকাল দেখোন ইমান দেৰি নহয়! বুঢ়া বামুণ দেহি! ভোকত চাগৈ লাল-কাল হল। দেৱে দুখ পালে মোৰ মনত বৰ দুখ পাওঁ; আকৌ ৰং পালে মোৰ মনত আনন্দৰ সীমা নেথাকে। চিৰকাল সমান ভাবে গাব লাগিছে। এতিয়া আকৌ লাহে লাহে বুঢ়ী হৈ আহি-ছোঁমানে মনৰ ভাবো ঘন হৈছে আঁহিবলৈ ধৰিছে। আমি দুয়ো দেহতহে বিৰূপ আত্মাত এক। ইয়াকে দাম্পত্যপ্রণয় বোলে। মানবসমাজত থাকি এই প্রণয় লভিলে হে আচল সংসাৰী আৰু এয়ে স্বৰ্গীয় প্রণয়। দুইৰো মন, দুইৰো আত্মা, দুইৰো ভাব, পৰস্পৰে বান্ধি এক কৰি নথলে এনে প্রণয় নস-ম্ভৱে। তেওঁ ভোকত দুখ পাইছেহলে মোৰ মন ছাটি-

সৃষ্টি কৰিছে। আমাক সকলো প্ৰকাৰে ঈশ্বৰে সুখ দিছে; কেৱল আগলৈ-পিচলৈ চাবলৈহে বাট নথলে। মাহামায়াৰ মায়াৰ অন্ত কেও নেপায়। (বাটৰ ফালে চাই) পুৰন্দৰ অথানেই সেউক মাতি আনিবলৈ গল; এতিয়াও আহিব নেপায়নে? সিও গৈ লৰাৰ লগত ধেমালিতহে লাগিল হৈ। ধুৰ্ত্তি গাবে মধ্যে আপনাৰ চক এৰি যাব নোৱাৰা হলৌ, ভাল কথাটো হল।

(পুৰন্দৰৰ প্ৰবেশ)

পুৰ।—আই, যক আকৌ দুজন পিবাৰ নিমিত্তে ভাত বাক কৰৈগে। এইবিলাক কোনো বৈকুণ্ঠৰ ঈশ্বৰ দুভাগ হৈ আপোনাৰ ঘৰ পবিত্ৰ কৰিবলৈ আহিছে।

সাঃ বৈঃ।—দুজন মানুহৰ ভাত আৰু আমাৰ ভাগৰে-পৰা নোলাবনে? তাইলেকে যে, সেৱে তোকে কৈ পঠিয়াইছে? ডই নকলি কেনৈ—বুলি সকলোৰে হব আহক বাৰু।

পুৰ।—[illegible] আকৌ আনিলেহে। আপোনাৰ সেই টৌমিৰ মুখমান চকটিবপৰা উলিয়াই থাকিলে যে, ওলাই থাকে তাকনো কোনে জানে? (বাটৰফালে চাই) সৌৱা লোকে আহি পালেহিয়েই।

(কৃষ্ণ, বলৰাম আৰু সান্দীপনিৰ প্ৰবেশ)

সান্দী।—ব্ৰাহ্মণি! আজি আমাৰ পৰম ভাগ্য। যোৰা-যোৰ নাৰায়ণ দুই অংশে বিভক্ত হৈ পৃথিৱীৰ ভাৰ হৰণ কৰিবলৈ আহি, আমাৰ ভগা পজাত পদাৰ্পণ কৰি আমাক কৃতাৰ্থ কৰিছেহি। মই আজি বিষ্ণুৰ গুৰু, তুমি গুৰু-পত্নী মাতৃস্বৰূপা—ইয়াতকৈ কিনো আনন্দৰ বিষয় আছেনে?

সাং বৈঃ।—(দুইবোকাকে চাই মধুৰ বচনেৰে) আহা! আমাৰ আজি মহা আনন্দৰ দিন। স্বয়ং ভগৱান আমাৰ ঘৰত শিষ্যৰূপে অতিথি। প্ৰভু, আমি নিচেই দৰিদ্ৰ, আমাৰ কি আছে—কিহেৰে তোমালোকক তুষিম?

কৃষ্ণ।—মাতৃ! জগতত বচনতকৈ সোৱাদ একো বস্তু নাই। তেনে মধুৰ বচনেৰে আমাক তুষিছে যি স্থলত আমি পৰম তৃপ্তি লভিছোঁ। আমি পিতৃ-মাতৃৰ পৰিবৰ্ত্তে পিতৃ-মাতৃ পাইছোঁ। আছে পঞ্চামৃত খাম, নাই লঘোন পাৰি বিদ্যা শিক্ষা কৰিম। মাতৃ! দৰিদ্ৰ বুলি দুখ প্ৰকাশ কৰিব নেলাগে। যাৰ হিয়াত চেনেহ আছে, তাক কি লাগিছে?

সাং বৈঃ।—বোপাইহঁত, মোৰ লাহৰীহঁত! উঠা, তোমা-

লোকে তোকত্ত বৰ দুখ পাইছোঁ। দেউৰ লগত গৈ স্নান পূজা কৰি আহাৰ কৰাগৈইক। মই বি আছে তাক বাঢ়ি থৈছো, বাঢ়ি দিওঁগৈ—গুলাই নিকাই খাই তোক গুচাই ক্লান্তি দূৰ কৰাহি উঠা।

গীত

সাঃ-থৈঃ।—কিভেবে পূজিম প্রভু! সকলোঃ তোমাৰ,
তোমাৰ গুণকে কৰে জগতে প্রচাৰ।
অনাদি অনন্ত তুমি মহিমা অপাৰ,
নচেই নিছলা আমি কি আছে আমাৰ?
নিজৰ শৰীৰ তাপো নাই অধিকাৰ,
তোমাকে তোমাৰ বস্তু দিওঁ উপহাৰ।

(সকলোৰে প্রস্থান)

পট পৰিবৰ্ত্তন

সান্দীপণি মুনিৰ পঢ়াশালি

(ছাত্ৰসকলৰ প্ৰৱেশ)

১ম ছাঃ ।—ভাইহঁত, আজি দেউ আহেমানে আমি খেমালি কৰোঁহক আহ ।

২য় ছাঃ—এই নিধকৰ কথাত কেওঁ কাণ নিদিবিহঁক । সিদিনা সিয়ে নিজৰ টীকাটো লুকুৱাই থৈ আমাক দেউৰ হতুৱাই মাৰ খুৱাব খুজিছিল ।

৩য় ছাঃ ।—হওঁতে কোনো কম নহয় । সকলোৰে মুখ আছে । সি মাৰ খুৱাওঁ বুলি কাৰবাক মাৰ খুৱাব পাৰিবনে ? ওলোহঁক আহ ।

৪র্থ ছাঃ ।—অলপমান বহিহঁক । কলাই-বগাইহঁতো আহক ।

১ম ছাঃ ।—তই কলিয়াক ভাল পাৱ নে—বগাইক ভাল পাৱ কচোন বাৰু ?

২য় ছাঃ ।—মোকে সুধিছ নে ? মই হলে ভাই, কলিয়াক হে ভাল পাওঁ । সি বৰ মৰমিয়াল, তাৰ কথাবোৰ বৰ মোৱাল ।

৩য় ছাঃ।—বলাইকো কম বুলিবিছিক। সিও বৰ খেমে-লীয়া কথাবোৰ কব পাৰে। খেলে হলে দুইকো বৰ ভাল পায়।

৪র্থ ছাঃ।—ক' সিইঁত আহিবৰপৰা হলো যোক সেই লেবেলা সাদৰখন পাক কৰে।

(কৃষ্ণ বলৰামৰ প্ৰৱেশ)

কৃষ্ণ।—তোমালোকে কি কৰিছাহঁক?

১ম ছাঃ।—নেদেখিছা? আমাৰ যি বল তাকে কৰিছো-হঁক। ওমলো আহাঁ, দেউ আহিছেনে?

কৃষ্ণ।—দেউ জানো অহা নাই? অপনিয়েই আহিল। মই আকৌ পলম হৈছে বুলি মনত শঙ্কা হে কৰি-ছিলোঁ। হেতে কেনিবা বাৰ পায়, এতিয়া ওলাই-হিহে লাগে।

বল।—যেতিয়াই আহক লাগে, আমি পাছোহঁক। খেমালি কৰি থকা দেখিলে দেবে বেয়া পাব।

২য় ছাঃ।—বলাই, তুমি বাস্তবিক এটা পুথিৰ পোক। তোমাৰ দৰে আমি ইমান দিন পুথি খাওঁ বুলি ধৰাহলে একলেখিয়া হলেহেঁতেন।

বল।—পুথি খোৱা মানে তুমি নো কি অৰ্থ কৰিছা? কালি-ছিৰি পেলোৱানে তাৰ যথাৰ্থ অৰ্থবোধ হুৱহুৱ কৰা?

৩য় ছাঃ।—তুমি বিহুকে ভাবা পেৰে।

৪র্থ ছাঃ।—মই হলে শেহৰটো বুলি ভাবিছো।

দল।—ঠিক কথা কৈছা। সেইবাবে আই-বোপাই এৰি, ইমান দূৰত পৰি আহোঁহি। খেমালি কৰিবলৈ আমাৰ ভাত মনে লগ নাই?

কৃষ্ণ।—দদা, মানুহৰ জগতত এটা মাথোন শিকিবলগীয়া কাম নহয়। সকলোৱে সৰুৰেপৰা ডাঙৰ হয়। সৰুতে খেমালি নকৰা কেঁও নাই। সচাঁকৈ যে কেৱল পঢ়িবহে লাগে, এনে নহয়। পঢ়িবৰ বেলিকা পঢ়িব লাগে, খেমালিৰ বেলিকা খেমালি কৰিব লাগে।

১ম ছাঃ।—এৰা; কলিতা নে কোন! কলিতাই দেখোন খেমালিও কৰে, পঢ়াও পঢ়ে। খেমালিতো আগ, পঢ়াতো আগ। সেইহে তেওঁ দেখে সব মৰম কৰে।

কৃষ্ণ।—তাইহঁত, এতিয়া খেমালিৰ সময় নহয়। পঢ়া হলে, বাকী সময়ত খেমালি কৰিম। এতিয়া পঢ়োহঁক আহা।

দল।—কলিতা তুমি মিঠাকথাৰে মানুহক খুব ভুলুৱাব জানা।

(সান্দীপণি মুনিৰ প্ৰবেশ)

সকলোৱে—(সেৱা)

সান্দীপণি—বোপাইত ! তোমালোকে মন দি পঢ়ি থাকাঁহক। মোৰ এঠাইত এটা কাম আছে তাৰপৰা ঘূৰি আহোঁ। যাৰ যি পঢ়া শিকিব লাগে, আগৰ পঢ়া দি কৃষ্ণ বলৰাম পৰা নকৈ সুধি লবাহঁক। আজি মোৰ সলনি তেওঁবিলাক দুজনকে গুৰু বুলি জানি হাই-দন্দ্ নকৰি আনন্দমনেৰে পঢ়ি থাকাহঁক।

২য় ছাঃ—ভাল, দেউ ! একো চিন্তা নাই ; আপোনাৰ আদেশমতে আমি পঢ়া পঢ়িমহঁক।

(সান্দীপণিৰ প্ৰস্থান)

১ম ছাঃ—বুঢ়া বামুণ গল, ওমলিবৰ হল। খিলা খেলোঁ। আহা ভাই, আৰু মোক কোনে পায় ?

কৃষ্ণ—আমাক বিশ্বাস কৰি ধৰ্ম্মৰ ওপৰত নিৰ্ভৰ কৰি দেৱে গৈছে যি স্থলত আজি আমি খেমালি কৰা নিতান্ত অন্যায়। বিশ্বাস ও ধৰ্ম্ম এই দুটি বৰ ডাঙৰ বস্তু। সকলোকে হেকৰালে পাৰ পাৰি, ইয়াক হেকৰালে পোৱা নেযায়। গুৰুৰ আদেশ দুগুনিলে—অধৰ্ম্ম হব। তেওঁ বিশ্বাস কৰিছে, আমি তেওঁৰ উপদেশ মতে পঢ়িম। তাকে নকৰিলে বিশ্বাসঘাতক হব।

(সান্দীপনিৰ বৈণীয়েকৰ প্ৰবেশ)

সাঃ বৈঃ—গোপাল্ক ক সেউ কলৈ গল ?

কৃষ্ণ—মাতৃ ! সেউৰ আজি ক'ৰবাত একেবি কাম আছিল তাকে কৰিবলৈ গৈছে।

সাঃ বৈঃ—ভাল কথাতো হল ! আজি আহিবনে নাহে ?

বল কথাৰ গতিটোলৈ চাই হলে আজি অহা ভৰসা নাই। কিয় সুধিছে—কি হলনো আই ?

সাঃ বৈঃ - কি কম ? তোমালোকৰ খাবা নহয়।

কৃষ্ণ—কিয় নহব ? আমি জানো মানুহ নহওঁ আই ? মানুহৰ খাবা হোৱা সকলো কাম আমাৰ খাবা চব।

সাঃ বৈঃ—তোমালোকক কবলৈ ভাল নেলাগে। আজি ভাত বান্ধিবলৈ শুকান খৰি এডালিও নাই। অথনি কেচাখৰি ফুৱাই ফুৱাই চকুৰ পানীৰে অন্তকাৰ হলোঁ। সেয়ে ভাবো একো দিহা নকৰিলে।

১ম ছাঃ—কি কথা আছে ? আমি গৈ আনি দিম্বইক।

কৃষ্ণ—তেন্তে উঠাইক। আমি মাতৃৰ নিমিত্তে শুকান খৰি বিচাৰি যাওঁইক।

বল—যাওঁতে সকলো যাব হয় ; কিন্তু যি সবহকৈ আনিব পাৰিব তাক হে শলাগিম্বইক।

কৃষ্ণ—মুখৰ কথা আমাক নেলাগে ; কাৰ্য্যত হে চিনাকি দিয়া উচিত।

গীত—

সকলোৱে—

বলা ভাই যাওঁ আমি, ধৰি আনো গই,
ধৰি আনো গই আমি, ধৰি আনো গই।
বিচাৰি শুকান ধৰি, আনি সকলোৱে লুৰি,
ঘৰলৈ আহিম ঘূৰি, লবালৰি কৰি।
হই আমি শাৰী শাৰী, বলা যাওঁ লৰ মাৰি,
নহলে হব দেৰি. ঘূৰিম কেনেকই ?

(সকলোৱে প্ৰস্থান)

তৃতীয় অঙ্ক

প্ৰথম দৰ্শন

সান্দীপণিৰ ঘৰ

সান্দীপণি ও দৈণীয়েক

সাঃপণি—ই কি কথা! কালিৰেপৰা ইমান পৰলৈ ওভতি অহা নাই! কেনি গৈছে—তুমি কব পাৰানে?

সাঃ ধৈঃ—মইনো কি জানো? আটাইকিটাই জবৰকৈ ওলাই গৈছে। মই খবি নাই বুলিৱলৈ হে পালোঁ। লোকে ওলালেই।

সাঃপণি—ইস্! লৰামাহুহ কলিৰেপৰা লঘোনে-ভোকে চাগৈ দেহি! একেবাৰে চেপেটা লাগিল। খাইকৈ কৃষ্ণ-বলৰাম নিচেই সুখীয়া। হায়! হাবিয়ে-বননিয়ে চাগৈ কত দুখ পাইছে। সিহঁতক কৰই নেলাগি-ছিল।

সাঃ ধৈ—মোৰ কালি পদূলিৰেপৰা গাটো চাটি-ফুটি কৈ আছে। মই জানিছিলোঁ। ওভৰেপৰা জালচেৰেক

শুকান খৰি আনি দিব। আজি চুলিনিয়াকৈ হাবিত লখোনে-কোনে আহৰি হল দেখি ঐ!

সাঃপণি—কৃষ্ণ-বলৰাম দুয়ো পৰমব্ৰহ্ম নাৰায়ণ, দুই অংশে পৃথিৱীত জন্ম লৈছে; তেনে সনাতন পুৰুষক তুমি সামান্য খৰি আনিবলৈ পঠালা, তাত হে মই বৰ চথিত হৈছো। আহা! কত কষ্ট পাইছে চাগে।

সাঃ বৈঃ—নাথ! মোৰ বৰ অপৰাধ হৈছে। মোৰ আৰু এই জন্মত নিস্তাৰ নাই। মই বৰ অন্যায় কৰ্ম্ম কৰিলোঁ। যুগ-যুগান্তৰে তপস্যা কৰি ঋষি-মুনিসকলে যাৰ পাদ-পদ্ম দেখিবলৈ নেপায়, তেনে প্ৰভু ছাত্ৰৰূপে আমাৰ পঢ়াশালাত আবিৰ্ভাব। মই কঙালিনীয়ে হাততে বস্তু পাই যত্ন কৰিব নেজানিলোঁ। (কান্দোন)

সাঃপণি—প্ৰিয়সী, তোমাৰ শোক পৰিহাৰ কৰা। ভগৱানৰ অপাৰ লীলা মই তেওঁবিলাকক বিচাৰি যাওঁ। তুমি সুস্থিৰ মনেৰে ভিতৰত লৈ আহাৰৰ উপায় কৰা।

সাঃ বৈঃ—মোৰ আধাতৈ দুই নেথাৰ। মই বেটীয়ে বৰ অকথা কৰিলোঁ। মোৰ পাপৰ প্ৰায়শ্চিত্ত

নাই। মোক কি শুনিয়ে লগ ললে, মোৰ প্ৰভুক খবিৰ কথা কলোগৈ। (কান্দোন)

সাঃপণি—তুমি বেজাৰ নকৰিবা। লীলাময় লীলাৰ মানুহক নেলাগে দেৱতাইও একো অন্ত নেপায়। এতেকে আমাৰ বৃথা শোক কৰা অন্যায়। মই বিচাৰি যাওঁ। তুমি ভিতৰলৈ যোৱা।

(সান্দীপণিৰ প্ৰস্থান)

গীত

সাঃ ঘৈঃ —

নিৰ্চিনি তোমাক প্ৰভু! অকাজ কৰিলো। মই,
মৰিবি দাসীৰ দোষ. গুচোৱা মনৰ ভয়।
তুমি নেতাৰিলে মোক, তাৰে কোনে দয়াময়?
আজন্মা ভিখাৰ মতি, সদায় পাপত ৰতি,
কেৱল তুমিহে গতি, জানিছো কৰুণাময়।
তব পাদপদ্মে যেন সদা মোৰ মন ৰয়।

(সাঃ ঘৈঃ প্ৰস্থান)

দ্বিতীয় দৰ্শন

অৱন্তীনগৰৰ ৰাজ-আলি

(সকলোৱে খৰিৰ একো আঁটি আনি বাটতে বহে)

১ম ছাঃ—কলিয়া, তুমি ইমানবোৰ বনবীয়া গুটি কেনেকৈ চিনি পোৱা? আহা! খাবলৈ এনে সোৱাদ! কালিৰেপৰা ভাত খোৱা নাই যেনকে লগা নাই।

২য় ছাঃ—ভাতটকৈ ফলমূলহে খাবলৈ ভাল। ঋষি মুনি সকলে ইয়াক খাই বৰ তৃপ্তি লভে। দেখা নাই? আমাৰ দেৱে নিতৌ নিয়ে।

৩য় ছাঃ—দেৱে নিয়ে হয়, এনে ফল নহয় ভাই! আমাক কালিৰেপৰা বিমানবোৰ ফল কলিয়াই আনি খুৱালে সিমানবোৰ দেৱে খকু ছাবি নামকে কব নোৱাৰে।

৪র্থ ছাঃ—আমি চকুৰ আগতে থাকিলেও নেদেখো, কলায়ে কলিয়াই কেনেকৈ কোচ ভৰাই আনি দিয়ে।

কল—তইতে সদায় ঘৰৰ বাহিৰ হোৱা নাই। নগৰৰ কেঁচুলি নগৰতে আছইত। আমি বোলেঁতে হাবিত সকলেপৰা লাক গৰখীয়াৰ লগত সিঙা বজাই বাহী

বজাই গৰু চৰাই ফুৰিছিলোঁ। আমি কেউপিনে সমান।

কৃষ্ণ—দদা, অহঙ্কাৰ কৰিব নেপায়। কেও মাকৰ পেটতে জানি নাহে। সাংসাৰিক বিষয় ক্ৰমে সংসাৰতে শিকি লয়। এওঁবিলাক বৰ সুখীয়া, ঘৰৰ বাহিৰ নোহোৱা-বাবে অলপ দুখকে বৰ দুখ বুলি ভাবে।

১ম ছাঃ—কালি যে আনি ধুমুহা বৰষুণত ভৈয়াই থাকিম, এনে আশাই নাছিল।

২য় ছাঃ—ভাল কৈছ বোপাই। গছৰ খোৰ্কৰপৰা সেই কেঁটী সাপটোৰ কোঁচ কৰোঁতেই চুলিব আগে জীব গৈছিল।

৩য় ছাঃ—এইবাৰ এই সঙ্কটৰপৰা আমাক কলায়ে-বলায়েহে ৰাখিলে। মই আৰু কেতিয়াও হাবিলৈ নাহোঁ।

৪র্থ ছাঃ—তইতৰ কিতাহিখন থ বোপাইঁত। বলাইৰ মুঠা খবিৰ দৰে কাৰো খবি নহয়। মোৰ মুঠাই হওঁতে আইনত কৈ শকত, তেও বুলি ইহঁত চুটাৰ সমান নহয়।

১ম ছাঃ—চৰাইহে সৰু হলং গছত বাহ। দেখা নাই কালিবে পৰা ইহঁতৰ কীৰ্ত্তি? ইহঁত নথকা হলে, আজি এই খিনি নেপাওঁহিহঁক।

(সান্দীপনিৰ প্ৰবেশ)

সাঃপনি—(কৃষ্ণ ও বলৰামক চুমা খাই গাত হাতফুৰাই অতি মৰমেৰে) মোৰ সোণাহঁত ! তোমালোকে কালিৰে পৰা কেনৈ ইমান দুখ পাই ফুৰিছিলা ? উঠা, বামুণীয়ে কালিৰেপৰা কান্দি-কাটি ব্যাকুল হৈছে।

কৃষ্ণ—গুৰুদেৱ, মানুহে ভাত বান্ধোতে বৰ দুখ পায়। ঘৰত খৰি নাই, যি আছে সিও কেঁচা। সেইগুণে আমি খৰি আনিবলৈ গৈ মহা বিপদত পৰিছিলোঁ।

সাঃপনি—কি বিপদত পৰিছিলা মোৰ সোণাই ?

কৃষ্ণ—কালি আমাক হাবিত পকৰাই পাই বাট হেৰুৱাই হাবিত ঘূৰি ফুৰিছিলোঁ। তোকত আটাইবোৰ কল-মলাবলৈ ধৰিলে ; পিছে দদা আৰু মই দুয়ো হাবিত কলদুল বিচাৰি লগৰীয়াসকলৰ প্ৰাণ ৰক্ষা কৰিলোঁ।

১ম ছাঃ—ধুমুহা বতাহ বৰষুণ আৰু কৈটা সাপৰ কথা নোকোৱা কেলৈ ?

বল—এতিয়া কলেনো কি হব ? গল কথা গুচিল।

২য় ছাঃ—মোৰ হলে মনত পৰিলে এতিয়াও গাটো জিকাৰি উঠে।

৩য় ছাঃ—তেতিয়া দেখোন তই মুহকছ খাই আছিলি, এতিয়াও তোৰ মুহ কঁপি নেযায় নে ?

৪ৰ্থ ছাঃ—উস্! মই বোলোঁ। কিহে পালে? ফুৰাতে ফুৰোঁ ঘূৰাতে ঘূৰোঁ, তেও খাট-পুঠ নেপাওঁ।

সাঃপণি—এতিয়া বলা বোপাহঁত। মুখ শুকাই আছে, কালিৰে পৰা পেটলৈ কণ এটি যোৱা নাই। উঠাহক মোৰ বোপাহঁত।

(সকলোৰে প্ৰস্থান)

তৃতীয় দৰ্শন

সান্দীপণিৰ চৌতাল

সান্দীপণিৰ ঘৈণীয়েক

সাঃ ঘৈঃ—(বিৰস মনেৰে) মোৰ সমান কাঠৰী জগতত কেও নাই। মই তকান খৰিৰ লগত সুধীয়া সবাইতক আজি তিনি সন্ধ্যাকৈ লঘোনত মাৰিছোঁ। মোৰ মনত একেবিও ৰবম নেলাগিল। সোণবৰণীয়া কোমল

আলসুৱা লৰা চাগৈ খাবলৈ নেপাই শুকাই চিৰাফলা যেন হল। মইনো কি সত্তে এতিয়াও জীয়াই আছোঁ। সেউ, অগনিয়েই নোখোৱা-নোবোৱাকৈ সিংহকে পিচ দি গল, এতিয়াও ওভতি নোআহিল। সেহি! ওৰে-ৰাতি ছাটি-ফুটিকৈয়ে নিয়ালোঁ। এতিয়াও চাগৈ সিংহকে বিচাৰি ফুৰিছে! কালি ধুমুহা বতাহ বৰষুণত বা মোৰ সোণাটিহঁতৰ কি বিপদ হল। (চকুৰ লো টোকে)

(পুৰন্দৰৰ প্ৰবেশ)

পুৰন্দৰ—আই, কি হল? অগনিবেশৰা এবাৰ ভিতৰলৈ এবাৰ বাহিৰলৈ অহা-যোৱাকৈ আছে কিয়?

সাঃ দৈ—কি নো কম বোপাই ঐ! লৰাহঁত কালিয়েই খৰি বিচাৰিবলৈ গৈ পথুলিও নেপালেহি। সেয়ে-মযে ছুৱো বাটিয়েই পাৰহি বুলি ভাত-পানী বাঢ়ি ওৰে ৰাতি থাপলৈ পাকোতেই গল। নহা দেখি ৰাতি পুৱাই সেউ উঠি সিংহক বিচাৰি গল। এতেখিনি পৰেও সেখোন আহি নেপালেহি। কত বা কাৰ কি গতি হল ভাবি চিন্তা বিচুৰ্ত্তি হৈছোঁ।

পুৰঃ—কি? কালিবেশৰা বোপাটিহঁত আহি ওলোৱাহি নাই! মোক কালিয়েই নকলে কিয়? ইস্! হবি,

হৰি ! লৰা মানুহ বাট-পুৰ চিনি নেপাই কবৰাত হাবিতে থাকিল চাগৈ। হাবিতো চাগৈ সিহঁতৰ দুখৰ অন্ত নাই। চাৰাবাৰি বতাহ বৰষুণত কোনত নো কেনেকৈ আছে ?

সাঃ বৈঃ—কেতিয়াবা কথা এটাকৈ পাতিবলৈ হলে হাততে খোপাই তোকেহে পাওঁ। মই পাগলীয়ে আকৌ কালি পাহৰিলোঁ। ঘনেপতি কথায় কথায় আহুকাল কৰিবলৈকো সোনাই তোক বেয়া লাগে।

পুৰঃ—আই, কিহৰ বেয়া ? আমাক নকৈ নো কব কাক ? একো আহুকাল নেপাওঁ। (বাটৰ পিনে চাই) সোৱা—ওলালহিয়েই দেখোন !

(ছাত্ৰসকলৰ প্ৰবেশ)

সাঃ বৈঃ—(ৰং মনেৰে কৃষ্ণ-বলৰামৰ গাত হাতফুৰাই চুমা খায়) আই ঐ ! মোৰ নাহৰীহঁতে দেহি ! তোকত কালিৰে পৰা লাল-কাল হল।

কৃষ্ণ—আই, আমি একো দুখ পোৱা নাই। আমি কালি সকলোৱে মহাৰঙে ফলাহাৰ কৰিলোঁ।

বল—আই, কলিয়াৰ লগত থাকিলে আমাৰ একো চিন্তা নাই। আমি কলিয়াৰ ঘৰতে অতি সুখেৰে কালি বন ফলমূল আহাৰ কৰি পৰম তৃপ্তি লভিলোঁ।

সাঃ বৈঃ —সুধীয়া সবাই শেহি ! ভাত খাবলৈ নেপাই গছৰ বনবীয়া গুটি, বিচাৰি খাই তাৰে পলাগ লৈছে। মোৰ সোণাইহঁত, তইঁতেনো কাহানি এইদৰে হাবিয়ে-বননিয়ে গছৰ গুটি বিচাৰি খাইছিলি ?

১ম ছাঃ—আই, নামঘৰে বনবীয়া গুটি, হওঁতে তাৰ লগত অমৃতো বিজাব নোৱাৰি। জগতত সোৱাদ বস্তু আছেমানে একো তাৰ সমান মিঠা নহয়। সদাই যেন তাকে খাই থাকিম।

কৃষ্ণ—মাতৃ ! আমি আগেয়ে গোকুলত গৰখীয়া লবাৰ লগত হাবিত গৰু চৰাই ফুৰোঁতে কত যে বনবীয়া ফলমূল বিচাৰি আনি খাইছিলোঁ, তাৰ একো সীমা নাই। মই বহুত গুটি চিনি পাওঁ।

বল—আই, কলিয়া বৰ টেঁথৰ, কলিয়াই চিনি নোপোৱা বস্তু হাবিত নাই। আমি হাবিত ফুৰা আগৰেপৰা অভ্যাস আছে। আমি একো দুখ পোৱা নাই। মনত বেজাৰ নকৰিব।

২য় ছাঃ—আই আমাক পকাই নোপোৱাহলে কালিয়েই আহি ঘৰ পাৰ্লোহেঁতেন। পিচে, পকাই পাই বাট হেৰুৱাই অকাই-পকাই হাবিতে বাতি হল। ঈশ্বৰ এনে হে মহিমা ! কি কম আই ? চাই থাকোঁ-

তেই বতাহে বকযুগে ওলোলাই আনি তত হেকবাই দিলে। আজাব নিশা কতো থাকিবলৈ ঠাই নাই। পিচে, কলিয়াই এজোপা ডাঙব গছৰ ধোন্দত আমাক সুমুৱাই বক্ষা কৰিলে।

৩য় ছাঃ—সেই কৈটি সাপৰ কথাতো হবলা এবিলি? উস্! ইমান ডাঙৰ সাপ মই আৰু ইয়াৰ পূৰ্ব্বে কেতিয়াও দেখা নাছিলোঁ; ঈশ্বৰৰ কৃপাতহে মৰা নপৰিলোঁ।

৪র্থ ছাঃ—যি হবৰ হল; এতিয়া ভাবি বেজাৰ বা ভয় কৰিলে কি হব?

বল—আমি গৰু চৰাওঁতে এবাৰ পিয়াহত তাহানিখন এখন যমুনাৰ পানী খাই আটাইবোৰ গৰখীয়া মৰি আছিলোঁ; কলিয়া পৈ যমুনাত নামি বুৰ মাৰি এটা বৰ ভয়ঙ্কৰ সাপৰ ফেনাৰ ওপৰতে উঠি নাচি আছিল। অবশেষ সাপে তেজ বমিয়াই ভথা-মথা দেখি গল। নাগপত্নীৰ কান্দোনত গোটেইখন খলকি লাগিছিল। এতিয়া নো এইটো কি ডাঙৰ সাপ?

১ম ছাঃ—কালি দেখাটোও কম নহয় ভাই! কোঁচ কৈ উঠিছিল।

সাঃ বৈঃ—মোৰ সোণাইহঁত বলা, মই ভাত-পানী বাঢ়ি থৈছোঁ। গা ধুই আহাগৈ, মই ভাত বাঢ়োগৈ। —৫

(সান্দীপনিৰ প্ৰবেশ)

সাঃপণি—ইয়াত থিয় হৈনো কি মেল পাতিছা ? লৰাইতৰ মুখ দেখা নাই। যোৱা, বেগেত্তে গৈ ভাত-পানী দি সান্তনা কৰা। দেহি! মোৰ সোণাইহঁতে বৰ দুখ পালে।

সাঃ ঘৈঃ—বাৰু, মই ভিতৰলৈ যাওঁ। তোমালোকে খোৱা। বোপাইহঁত গা-পা ধুই আহাঁগৈ মই ভাত বাঢ়োগৈ। কালিবেপৰা মোৰ সোণাইহঁতৰ পেটলৈ এটি কণো যোৱা নাই। (প্ৰস্থান)

সাঃপণি—সকলোৱে আমি নৈত গাধুই আহি আহাৰ কৰোঁ, উঠাহঁক।

গীত

কৃষ্ণ, বলৰাম আৰু ছাত্ৰবোৰ—

পিতৃ পালোঁ মাতৃ পালোঁ, যেনে নিজা ঘৰ,
চোৱাঁচোন কেনেকৈ কৰিছে সাদৰ।
আইতাৰ সলনি আই, মৰমতে পমি যায়,
দেউতাৰ সলনি দেউ, চেনেহতে লেউ-সেউ,
গোপৰ সলনি ছাত্ৰৰ অতি মৰমৰ।
আমাৰ লগতে চোৱা, বেজাৰতে কেনেকুৱা,

ভাত-পানী নাই খোৱা, শোকত কন্দনাযুৰা,
গোটেইখন হোৱা-দোৱা, হল অথন্তৰ।

(সকলোৰে প্ৰস্থান)

চতুৰ্থ দৰ্শন

সান্দীপণিৰ ঘৰ

সাঃপণি –(আপোনা-আপুনি) আহা ! মোৰ সমান ভাগ্যৱান কোন আছে ? সনাতন পূৰ্ণব্ৰহ্ম আহি যাৰ ছাত্ৰ হৈছেহি। লাহে-লাহে শিকিবলগীয়া সকলো বিদ্যাকে শিকিলে। আমাৰ ঘটো প্ৰায় ইমানতে উদং হৈ আহিল। অইনে এবছৰত যিমান শিকিব নোৱাৰে, এওঁবিলাকে এদিনতে তাকো বেচিহে শিকে। কত লৰা আহি ১০।১২ বছৰেও যি শিকিব পৰা নাই, এওঁবিলাকে এই সামান্য দিনৰ ভিতৰতে শিকি আকৌ সিহঁতক শিক্ষা দিছে। এনেস্থলত স্বয়ং ভগৱান নহৈ

কোন হব ? যি দিনাৰেপৰা মোৰ কুপা পজাত ভৰি দিছেহি সেই দিনাৰেপৰা মোৰ ঘৰ শান্তি ও লক্ষ্মীৰ আগাৰ হৈ উঠিছে। সিদিনা পঢ়াশালিত দেৱৰ্ষি নাৰদ আহি কত স্তুতি প্ৰাৰ্থনা কৰি গৈছে। আহা ! মই মহা সুখী। ভগৱান দয়াময়ে নিজে কৃপা বিতৰণ কৰি মোক কৃতাৰ্থ কৰিছেহি। মই মহা ভাগ্যবান। (কৃষ্ণ বলৰাম আহি সেৱা কৰে) কল্যাণমস্তু। মোৰ লাহৰিহঁত, আজি অসময়ত দেখোন আহিছাঁ, কি হল ? (বাহৰলৈ আসন দেখুৱাই) সেই কুশাসনতে বহাহঁক। আজি বিৰস বদনে দেখিছোঁ কিয় ? কি হল—কোৱা মোৰ সোণাইহঁত !

কৃষ্ণ—গুৰুদেৱ, ঘৰ বাতৰিৰেপৰা মন বৰ ব্যাকুল হৈ উঠিছে। আমি মথুৰা এৰি আহিবৰ আজি কেইবা-মান দিন হল। নিশা সপোন দেখিলোঁ, দৈৱকী মাতৃয়ে আমাক নেদেখি কান্দি-কাটি আউলি-বাউলি হৈছে দেহি ! আমি অতি শীঘ্ৰে ঘৰলৈ ওভটি যাম বুলি অঙ্গীকাৰ কৰি আহিছিলোঁ। আমি আৰু ইয়াত পলম কৰিব নোৱৰা হলোঁহক। আমি শিকিবলগীয়া প্ৰায় সকলো বিদ্যাকে শিকি অন্ত কৰিলোঁ। আপুনি এতিয়া আমাক আনন্দ মনেৰে বিদায় দি বাধিত কৰক।

বল—প্ৰভু, আজি ৰাতি সপোন দেখি সাৰ পাবৰেপৰা কলি-য়াই কান্দি-কাটি ব্যাকুল হৈছে। এতেকে আমাক নেৰাখি বিদায় দিয়ক।

(সান্দীপনিৰ বৈণীয়েক আহিলত দুয়ো সেৱা কৰে)

সাঃ বৈঃ—কুশলে থাকাহঁক। ৰাতিপুৱাই লাহৰিহঁত, মন মাৰি আহাঁ কিয়—কি হল?

কৃষ্ণ—আই, আমি পিতৃ মাতৃ এৰি আহিবৰ ভালেমান দিন হল। আমাৰ পঢ়া-শুনাও প্ৰায় শেষ হল। ঘৰলৈ যাবলৈ বিদায় লবলৈ আহিছোঁ। ৰাতি বেয়া এটা সপোন দেখিলোঁ।

সাঃ বৈঃ—কিয় মোৰ সোণাহঁত! এনে নিদাৰুণ বাক্য শুনালা? মই তোমালোকক কি সতে বিদায় দিম? (কান্দি কান্দি) মোৰ ভাল পাহৰা শোক আজি মনত পৰিল। মই কেনেকৈ তোমালোকক চকুৰ আঁৰ কৰোঁ। মোৰা মধুমঙ্গল নামে এটি অতি চেনেহৰ পুত্ৰ আছিল। মোৰ বোপাই পানীত নাদুৰি ওমলি-বলৈ সমুদ্ৰলৈ গৈছিল। শঙ্খ নামে অসুৰ এটাই মোৰ লাহৰিক মাৰি বংশ লোপ কৰিলে। সদাই তাৰ শোকতে আমি জীয়াতে মৰা হৈ আছোঁ। (কান্দোন)

সাংপণি—সিদিনা কপিল নাবদ আদি মুনিব মুখে তোমালোকব কথা শুনিছো, মোব সোণাইইত, তোমালোক কম পুৰুষ নোহোৱা। আমাব দুখব কথা কি কম? তোমালোক অন্তৰ্যামী সকলো জানাই দেখোন। এই বুঢ়াকালত আমিও মৰি যোৱা হলে ভালেই আছিল। কেৱল শোক দুখব ভাব ববলৈ হে জীয়াই আছো।

(কান্দোন)

কৃষ্ণ—প্ৰভু শোক পৰিহাৰ কৰক। আপোনালোক দুইকো বেজাব কথা দেখি মনত বৰ দুখ পাইছো। আপোনাব পুত্ৰক আমি এতিয়াই গৈ বিচাৰি আনি দিম। মনত একো শঙ্কা নকৰি আনন্দ মনেৰে বহি থক। গুৰুদেৱ, আপোনাসকলৰ ঋণৰপৰা মুক্ত হবপৰা আমাব হাতত একো ধন নাই। আমাক দয়া কৰি নিজে মুক্ত নকৰিলে আমাব ইয়াৰপৰা ভৰি দাঙিবৰ শক্তি নাই।

বল—দেউ, আমাব কথাত বিশ্বাস কৰি শোক এৰক আমি আপোনাব পুত্ৰ যত্তে আছে তলৈকে গৈ বিচাৰি আনিম। আপোনাসকলৰ বেজাব দেখি আমাব মনত বৰ দুখ লাগিছে। গুৰুদেৱ আৰু মাতৃ দেৱী! আপোনাসকলে একো চিন্তা নকৰিব।

(কৃষ্ণ বলৰাম সেৱা কৰি উঠে)

কৃষ্ণ—মাতৃ! আমাক পুত্ৰ আনিবলৈ আনন্দ চিত্তে বিদায় দিয়ক। আৰু গুৰুদেৱ! আপুনি মনৰ বেজাৰ এৰি মাতৃদেৱীক সান্ত্বনা কৰক, আমি যাওঁহঁক।

(দুইবো প্ৰস্থান)

সাঃপণি—বামুণী, তুমি চিন্তা নকৰিবা। ভগৱানে নিজে তোমাৰ পুত্ৰ বিচাৰি আনিবলৈ গৈছে। এওঁবিলাক সামান্য পুৰুষ নহয়। আহা! পৰমব্ৰহ্মক আমি হাতে হাতে পাইছোঁ। আমি বৰ সৌভাগ্য-শালী।

সাঃ বৈঃ—মই নিতান্ত জ্ঞানহীনা নহলেনো মোৰ সত্ত এনে হব কিয়? জগতৰ কৰ্ত্তা অনাদি অনন্ত সনাতন পুৰুষক খৰি আনিবলৈ পঠাম কিয়?—

গীত—

সাঃ বৈ—

মোৰ সম পাতকিনী নাই জগতত;
নাই পৃথিবীত হে নাথ! নাই সংসাৰত।
নেজানি লগালোঁ হায়, এনেহে ভাৰৰ দায়,
দাসীৰ নিস্তাৰ নাই, এই জনমত।
কৰি অপৰাধ মোৰ, অনুতাপ ভুঞ্জি ঘোৰ,
উঠিছে হিয়াত জৰ, হেৰুৱালোঁ তত।

চতুৰ্থ অঙ্ক

প্ৰথম দৰ্শন

স্থান

কৈলাস পুৰী

শিৱ আৰু গৌৰী

গৌঃ—প্ৰভু, আজি আপোনাৰ মনটো বৰ অথিৰ যেন দেখিছোঁ কেলৈ ?

শিঃ—প্ৰিয়সি ! তুমি এইবোৰ কাৰণ সুধি কি অন্ত পাবা ?

গৌঃ—আপুনি নিজেই অনাদি আৰু অনন্ত কাৰণেই আপোনাৰ মনৰ ভাবো অনাদি আৰু অনন্ত। কৃপা কৰি বুজাই দিলে যদিও সমুদায় বুজিব নোৱাৰোঁ ; তথাপি অলপ আভাস পাব পাৰোঁ।

শিঃ—তুমি জানা মই ভকতৰ আজ্ঞাবহ। ভকতৰ দুখত দুখী আৰু ভকতৰ সুখত সুখী।

গৌঃ—দাসীয়ে তাক বেছকৈ জানোঁ। আজিনো কাৰ কি হৈছে ?

শিঃ—বৈকুণ্ঠৰপৰা বিষ্ণু পূৰ্ণ অংশে পৃথিৱীৰ ভাৰ হৰণ কৰিবলৈ নৰদেহত কৃষ্ণ-বলৰামৰূপে অৱতাৰ ধৰিছে। তেওঁবিলাক দুয়ো সান্দীপণি মুনিৰ ঘৰত বিদ্যাশিক্ষা কৰি গুৰুদক্ষিণা দি ঘৰলৈ যাবলৈ বিদায় খোজোঁতে মুনিপত্নী আৰু মুনিয়ে কান্দি কাটি বিস্তৰ স্তুতি-ভক্তি কৰি পুত্ৰদান মগাত, দিবলৈ মান্তি হৈ মোক স্মৰণ কৰি গৈ শঙ্খাসুৰক বধি, এতিয়া যমালয়লৈ গৈছে।

গৌঃ—নাথ, মুনিৰ জানো পুত্ৰ নাই?

শিঃ—মুনিৰ এটি পুত্ৰ আছিল সাগৰত জলক্ৰীড়া কৰিবলৈ যাওঁতে শঙ্খাসুৰে বধ কৰিলে। আজি বাৰ বছৰৰেপৰা যমালয়ত আছে।

গৌঃ—এতিয়া বাৰ বছৰৰ মৃতক তাক কেনেকৈ আনিব—যমে বা দিব কিয়? প্ৰভু, এনে ডাঙৰ কাম কৰিবলৈ মান্তি হল কিয়?

শিঃ—তেওঁ ভক্তবাঞ্ছা-কল্পতৰু। ময়ো তেওঁৰে এক অংশ মাথোন। তেওঁ কৰিব নোৱাৰা কাম স্বৰ্গ, মৰ্ত্ত্য, পাতালত নাই। সেই সকলোৰে প্ৰভু। তেওঁ গুৰুদক্ষিণাৰূপ ঋণৰপৰা মুক্তি হবৰ নিমিত্তে মুনিৰ পুত্ৰক নিশ্চয় আনি দিব।

গৌঃ—তেওঁ যদি সকলোৰে প্ৰভু, তেন্তে আপোনাক স্মৰণ কৰিব কিয়?

শিঃ—প্ৰিয়া, তুমি মোক সাধু প্ৰশ্ন কৰিলা। বুজাওঁ কেনে মন দিয়া। পৃথিবীত জীৱ আছেমানে সকলো এক পৰম ব্ৰহ্মৰ অংশৰ বাহিৰে আন একো নহয়। স্বৰ্গ, মৰ্ত্ত্য, পাতাল এই ত্ৰিলোক সত্ব, ৰজ, তম এই তিনি গুণেৰে সৃষ্টি কৰি, সেই অনুসৰি প্ৰত্যেক লোকত জীৱৰ জন্ম দি পৰমেশ্বৰৰ মহিমা ঘোষণা কৰিছে। প্ৰত্যেক লোকত বিধে বিধে কাৰ্য্য বিভাগ কৰি একোজনৰ হাতত শাসনৰ ভাৰ দি থৈছে। স্বৰ্গ, মৰ্ত্ত্য, পাতাল আৰু সত্ব, ৰজ তম আদি গুণ সহ যত যি পদাৰ্থ আছে সকলো তেওঁৰে অংশ মাথোন। তেওঁৰ অংশ আৰু গুণৰ তাৰতম্য অনুসাৰে উৎকৃষ্ট আৰু নিকৃষ্টাদি বুলি ধৰা যায়। এতিয়া তেওঁ নৰ-দেহ ধাৰণ কৰাবাৰে মোক স্মৰণ কৰা আৱশ্যক হৈছে।

গৌঃ—মই জানিছিলোঁ আপোনাতকৈ ডাঙৰ দেৱতা নাই। এতিয়া জানিলোঁ কিন্তু আপোনাতকৈ ডাঙৰ।

শিঃ—প্ৰাণাধিকে, তুমি অলপ ভুল বুজিছা। ডাঙৰ বা সৰু কোনো নহয়; সকলো সমান। যেতিয়া যি অৱস্থাত যি থাকে সেই অনুসৰি ডাঙৰ সৰু

বুলি নিৰ্ণয় কৰা যায়। জুইৰ কিৰিঙতি এটাক জানো একুৰা ডাঙৰ জুইতকৈ সৰু বুলিব পাৰঁা? সেই কিৰিঙতি সময়ত প্ৰকাণ্ড একুৰা জুইৰ অৱস্থালৈ যাব পাৰে। তাকে বুলি কিৰিঙতিটোক জুইকুৰা বুলি কোৱা নেযায়। এতিয়াও ঠিক তেনে জানিবাঁ। মোক স্মৰণ নকৰি কাৰ্য্য সমাধা কৰিবলৈ টান গতিকে এই সময়ত মোৰ সহায় লৈছে।

গৌঃ—মুঠতে কৰলৈ গলে যদি সকলো সমান তেন্তে পূজনীয় হয় কোন অৱস্থাত?

শিঃ—গুণৰ অংশ যাৰে যাতকৈ বেচি, সেয়ে তাৰ পূজনীয়। সময়ত তুমিও মোৰ পূজনীয়। এই বিষয়ে পিচে তোমাক মই বিস্তাৰিতৰূপে বুজাই কম।

গৌঃ—নাথ, আজি মই আপোনাৰ কথা শুনি বৰ সন্তোষ লভিলোঁ। এতিয়া তেন্তে যমবো দণ্ড হব নে কি?

শিঃ—কি যাবেনো যমৰ দণ্ড হব? যম যে স্বয়ং ধৰ্ম্ম।

গৌঃ—মুনিৰ পুত্ৰক যমালয়ত ৰখাৰবাবে কিয় দণ্ডনীয় নহব?

শিঃ—যমৰ কাৰ্য্য মৃত্যু সংঘটন। যাৰ যেনে কৰ্ম্ম

সেইদৰে তাক বিচাৰ কৰি ধৰ্ম্মই বাধে। সেই-নিমিত্তে যমৰ অপৰাধ কি ?

গৌঃ—মুনিৰ পুত্ৰই কৰ্ম্ম অনুসাৰে যদি পাপত পৰি আছে, তেন্তে উদ্ধাৰ কৰি অনাৰ উপায় কি ?

শিঃ—বিষ্ণুৰ নাম ভক্তিভাৱে এবাৰ ললে যিমানখিনি পাপ ক্ষয় হয়, সিমানখিনি পাপ পাপীয়ে এযুগতো কৰিব নোৱাৰে। এনেস্থলত নিজ চকুৰে তেওঁক দেখা পালে যে, মহা পাতকীও তৎক্ষণাৎ উদ্ধাৰ হয ; তাৰ এক ধনিষ্ঠামানো শঙ্কা নাই। এতিয়া যমালয়ৰ পাপীবোৰে তেওঁক দেখি উদ্ধাৰ হৈ যাব বুলিহে মোৰ মন বৰ ব্যাকুল হৈছে।

গৌঃ—তেন্তে কি উপায় ?

শিঃ—উপায় যমৰ হাতত। মই চাওঁতে, তেওঁ যোৱা মাত্ৰকে বিদায় দিব। যদি যমে সোনকালে বিদায় নিদিয়ে, মৰো যাব লাগিব। এতেকে আহা আমি নিজগৰগৰা চাই থাকোঁ।

(দুইবো প্ৰস্থান)

দ্বিতীয় দৰ্শন

যমপুৰী

চিত্ৰগুপ্ত, দূত ও পাপীসকল

যঃ—চিত্ৰগুপ্ত! চোৰাঁচোন আজি কাক কাক আনিব লগা হৈছে।

চিঃ—আজি প্ৰায় এক কোটিমান অনা হল।

যঃ—পাপ-পুণ্যৰ হিচাব কৰিলানে?

চিঃ · ধৰ্ম্মৰাজ! পাপ-পুণ্য অনুসৰি সকলোকে ঠায়ে-ঠায়ে ৰখা হৈছে।

যঃ—কিমান খালাছ হল?

চিঃ—খালাছো বহুত হল, পিছে এটাৰ হিচাব হে ঠিক কৰিব পৰা নাই।

যঃ—কেনে—নতুন নে পুৰণি কয়দি?

চিঃ—পুৰণি।

যঃ—নাম কি?

চিঃ—মধুমঙ্গল।

য:—পিচে কি হল ?

চি:—হিচাবটো দেখোন একো ভত ধৰিব নোৱাৰা হলোঁ।

য:—কোনে অনা, কি বেমাৰত মৰা ?

চি:—বেমাৰত মৰা নহয়, শঙ্খাসুৰে বধ কৰা, বাপেকৰ নামটো সান্দীপণি।

দূত—ওঁ হয় ; সেই বুঢ়া মুনিটো। এবাৰ তাক ভুলত আনিবলৈ গৈ বৰ লাজ পাই আহিছোঁ নহয় ?

য:—কি ভুল হৈছিল অ' ?

দূ:—মহাৰাজ ! বুঢ়া সন্দিকৈক আনিবলৈ পঠিয়াওঁতে আমি প্ৰথমে সান্দীপণিক ধৰিবলৈ গৈ কেবাদিনো ঘুৰি-পকি আছিলোঁ ; পিছে বেকামুৰা গৈহে কলে বোলে "সান্দীপণি" নহয় "সন্দিকৈ।" তেহে গৈ আকৌ সন্দিকৈক আনিছোঁগৈ।

য:—চিত্ৰগুপ্ত, তুমি হিচাবটো তেন্তে ভালকৈ চোৱাঁ। ঘনে-পতি তেনেকৈ ভুল হলে কৈফেত দিও পা সাৰিবলৈ টান হব আকৌ। আমালৈ সকলোৰ চক্ষু। পুলিচ আৰু যম কেটি খোৱাৰ ওজা বুলি প্ৰবাদ আছে নেজানা নে ?

(কৃষ্ণ বলৰামৰ প্ৰবেশ দেখি সকলোৱে নম্ৰভাৱে থিয় হব)

য:—(সেৱা কৰি কৰপুটে) প্ৰভু. কি নিমিত্তে এনে আহিৰ নগণীয়া ঠাইলৈ হঠাৎ পদাৰ্পণ কৰিছে ?

কৃষ্ণ—ধৰ্ম্মৰাজ, মই শঙ্খাসুৰকে যে, যমালয়লৈ পঠিয়াই-ছিলোঁ; সি সান্দীপনি মুনিৰ পুত্ৰক বধ কৰিছিল। এতিয়া মই গুৰুপুত্ৰক নিবলৈ আহিছোঁ।

১ম পাপী—(কৃষ্ণক সেৱা কৰি) দয়াময়, আজি বহুত দিনৰ মূৰত তেও যমালয় এৰিলোঁ, ধন্য প্ৰভুৰ দয়া।

(প্ৰস্থান)

যঃ—এতিয়াই দূত ধৰি আন। কত আছে বা, বেগেতে আন। চিত্ৰগুপ্ত, দিয়াঁ শীঘ্ৰে দেখুৱাই দিয়াঁ হে। পলম নকৰিবা, উঠা।

দূঃ—মহাৰাজ, মোক দেখুৱাব নেলাগে, মই লৈ আহোঁগৈ। মই তাক ভালকৈ চিনি পাওঁ।

(দূতৰ প্ৰস্থান)

২য় পাপী—(কৃষ্ণক সেৱা কৰি) বৰ ভাগ্য প্ৰভুৰ পাদপদ্ম দৰ্শন কৰি আজি অনেক দিনৰ মূৰত যমৰ যাতনাৰ হাত সাৰিলোঁ। (প্ৰস্থান)

যঃ—হেৰা, চিত্ৰগুপ্ত! কি চাই আছাঁ—দেখা নাইনে? লাহে লাহে আটাইবোৰ যাব। যোৱাঁ, বেগেতে মুনিৰ পিতেকক আনি দিয়াঁ।

চিঃ—ভাল, মহাৰাজ! (প্ৰস্থান)

৩য় পাপী—(সেৱা কৰি) উস্! হৰি হৰি! তোমাৰ কৃপাত আজি ব্ৰহ্মহত্যা পাপৰপৰা উদ্ধাৰ হলোঁ।

বঃ—প্ৰভুৰ ইয়াত পদম হলে মোৰ যমালয়ত আৰু এটিও প্ৰাণী নেথাকিব।

কৃষ্ণ—মই মুনিৰ পুত্ৰক লৈ অবিলম্বে প্ৰস্থান কৰিম। মই সকলো কথাকে বেছ জানিছোঁ।

যঃ—মই অধমে প্ৰভুক কি সাধ্যে প্ৰস্থান কৰিবলৈ কব পাৰোঁ? মই দন্দী প্ৰভুৰ দাসানুদাস।

(চিত্ৰগুপ্ত, দূত আৰু মধুমঙ্গলৰ প্ৰবেশ)

চিঃ—(মধুমঙ্গলক আগবঢ়াই) এইটি মুনিৰ পুত্ৰ প্ৰভু।

কৃষ্ণ—মই তেত্তে আহিলোঁ। তোমালোকৰ কৰ্ত্তব্য কৰ্ম্ম কৰাহঁক। (মধুমঙ্গলক) তুমি মোৰ গুৰুপুত্ৰ বি স্থলত সহোদৰ সদৃশ হলাঁ। এতিয়া ব'লা যাওঁ।

(বলৰাম, কৃষ্ণ, মধুমঙ্গলৰ প্ৰস্থান)

চিঃ—মহাৰাজ! মই নকৈছিলোঁ—বোলোঁ এটা হিচাবৰ গোলমাল হৈছে।

য—তাকে আগেয়ে ঠিক কৰি থোৱা হলে, অনাহকত এই পাপী কিটা কেনেকৈ তৰি যাব পাৰে? আজি তিনটা লোকচান হল। এইবাৰৰপৰা হিচাব পূৰ্ব্বেই ঠিক কৰি থবা।

চিঃ—মহাৰাজ, স্বয়ং ভগৱান আহে বুলি নো আকৌ কেনেকৈ জানিম? তাল কথা এইবাৰৰপৰা সাৱধান হলোঁ।

ৰঃ—হওঁতে অহাৰপৰা আমাৰ অনেক উপকাৰহে হল। ভগৱানৰ চৰণকমল দেখাও মহৎভাগ্যৰ কথা।

চিঃ—মহাৰাজ, আজি মোৰ ধাতু উৰিব লগা আছে।

ৰঃ—আমাৰ কালেও তথৈবচ।

তৃতীয় দৰ্শন

সান্দীপণিৰ ঘৰ।

সান্দীপণি আৰু সান্দীপণিৰ ঘৈণীয়েক

সাঃ ঘৈঃ—কালি আবেলিৰেই গল প্ৰভু, তেওঁ দেখোন এতিয়াও নাহিল।

সাঃপণি—তুমি মনত একো শঙ্কা নকৰিবা। ভগৱান আহে হে লাগে। তেওঁৰ বাক্যৰ খণ্ডন নাই। মোৰ ভৱে-ৰাতি চৌপনি নাই। মনত অপাৰ আনন্দ। আমি আকাশৰ জোন হাতত পালোঁ।

সাঃ ঘৈঃ—বোৱা সেৱে দশা। নেজানিছে—চাবাবাতি ভাব-নাই-চিন্তাই হটকট কৰিছেই গল। —০

(কৃষ্ণ, বলৰাম ও মধুমঙ্গল সেৱা কৰেহি)

কৃষ্ণ – এইটি গুৰুদেৱ ! আপোনাৰ চেনেহৰ পুত্ৰ । এতিয়া আমি আৰু বিদায় হে হওঁ ।

সাঃ দৈঃ - (আনন্দ আৰু বিনয়েৰে কান্দি কান্দি) প্ৰভু, ভকতবৎসল দয়াময় হৰি ! তোমাৰ অনন্ত মহিমা আৰু অপাৰ লীলা আমি কি বুজিম ? (পিতেকক সাৱোত মাৰি ধৰি) মোৰ সোণাই, তোমাৰ চন্দ্ৰমুখ আজি বাৰ বছৰৰ মূৰত ভগৱন্তে দেখুৱালে ।

(চুমা খায় আৰু মৰমত কান্দে)

সাঃপণি—প্ৰভু ! তুমি সনাতন পূৰ্ণব্ৰহ্ম । তোমাৰ পাদপদ্ম দৰ্শন কৰি আমি চৰিতাৰ্থ হলোঁ । এই অধমক বঞ্চিত তোমা পুত্ৰমুখ দেখুৱাই পৃথিবীত জোন-বেলি থাকে-মানে কীৰ্ত্তি ৰাখিলাঁ । মই পূৰ্ব্বজন্মৰ তাপৰ ফলত হে তোমালোক দুজনৰ গুৰু হবলৈ পালোঁ । মই প্ৰভু ধন্য হলোঁ ।

বল—গুৰুদেৱ ! আমাক বিদায় দিয়ক । আমি বাৰু কিবা দক্ষিণা দিবলাগে আজ্ঞা কৰক ।

সাঃপণি—প্ৰভু, মোৰ গুৰুদক্ষিণা যথেষ্ট হল । পৃথিৱীতে এনে কো বস্তু নাই যে, তোমালোকে যি বস্তু আনি দিলা তাৰ মূল্য হব পাৰে । যি অপুত্ৰক, তাৰ পিও

লোপ হয়। শিশুৰ অভাৱত নৰকৰণৰা উদ্ধাৰ হব নোৱাৰি অশেষ যাতনা ভোগ কৰে। মোৰা সেই অৱস্থাই হৈছিল। পিচে, দয়াময়ৰ কৃপাত জ্ঞানিবা বুঢ়া-বুঢ়ীয়ে তৰিলোঁ। এই উপকাৰৰ ঋণ পৰিশোধ কৰিবৰ শক্তি নাই। অনাথৰ নাথ, দুৰ্ব্বলৰ বল, তুমি শক্তি নিদিলে আমি শক্তি কত পাম ?

কৃষ্ণ—প্ৰভু, অগৌণে আমাক বিদায় দি বাধিত কৰক। আমি যাবলৈ সাজু হৈ আছোঁ।

সাঃপণি—প্ৰভু, অৱস্থীনৰ আজি হঠাৎ আকাৰ কৰিব খুজিছে কিয়—অইন এদিন গলে জানো নহয় ? এই চৰণৰ ভগাপজাত আৰু কেদিনমান থাকিলে বৰ সন্তোষ লভোঁ। প্ৰভুক দেখি মনৰ তৃপ্তি ক্ৰমে বৃদ্ধি হৈছে গৈছে। প্ৰভুক বিদায় দিবলৈ মোৰ একেবাৰে মত নেযায়।

সাঃ বৈঃ—মোৰ দুখুনীৰ কথা ৰাখি কেদিনমান থাকি যক। প্ৰভু গলেনো আমি কেনেকৈ থাকোঁ ?

বল—অনাহকত আপোনাসকলে ইমানকৈ ধৰিছে কিয় ? গুৰুদেৱ আৰু মাতৃ আমি আপোনাসকলৰ শিচ পুত্ৰ। আমি আপোনাসকলক এৰিব খোজা নাই। আমাৰ পিতৃ-মাতৃ এৰি আহিবৰ আজি ৬মাহ হল। তেওঁ-

বিলাকে আমাৰ নিমিত্তে ব্যাকুল হৈছে। সেইবাবে-
হে যাবলৈ ওলাইছোঁ।

কৃষ্ণ—গুৰুদেৱ, আপুনি বহুদৰ্শী, জ্ঞানী আৰু পৰম ধাৰ্ম্মিক মুনি। আপোনাক কবলৈ মোৰ কথা নাই। আপুনি বেছ জানে যে, নিজে অন্তৰাই নিদিলে জ্ঞান-চকুৰ আঁতৰ আৰু হিয়াৰ বাহিৰ হোৱা সম্ভৱ নহয়। এনে-স্থলত বৃথা মোহত পৰি মনত ইমান শোক কৰাৰ আৱশ্যক নাই। হৃষ্টচিত্তে বিদায় দিয়ক।

সাংপণি—মই জানিও নজনা, আৰু বুজিও নুবুজা হৈছোঁ। প্ৰভুৰ মই চৰণাগত। এতেকে অধমৰ ওপৰত সদায় দয়া ৰাখিবা। অৱশ্যে পিতৃ-মাতৃ মহা গুৰু, মই মোহত পৰি তোমালোকৰ নিচিনা ধনক তেওঁবিলাকৰ হাতৰ-পৰা হৰণ কৰা নিতান্ত অন্যায় কাৰ্য্য হৈছে। (পুত্ৰক) তুমি মোৰ লাহৰি পৰম পিতা অনাথৰ নাথক ভক্তি ভাৱে সেৱা কৰা। তেওঁৰ কৃপাত আজি তুমি আমাক আৰু আমিও তোমাক পাইছোঁহঁক। সকলোৱে মিলি ভগৱানক স্তুতি কৰোঁ আহাঁ। তেওঁক সন্তোষ কৰিবলৈ নামৰ বাহিৰে আইন একো বস্তু নাই।

(সান্দীপণি, সান্দীপণিৰ বৈণীয়েক ও মধুমঙ্গলৰ স্তব)

স্তব

"মৎস্য কূর্ম্ম নরসিংহ, বামন পরশুরাম,
হলিরাম বরাহ শ্রীরাম ;
বুদ্ধ কল্কি নামে দশ, আকৃতি ধরিছ। কৃষ্ণ,
তব পায়ে করোহে প্রণাম।

একান্ত ভকত সবে, নির্গুণ কৃষ্ণর গুণ,
গায়ে সদা বসিয়া যথাত ;
বৈকুণ্ঠকো পরিহরি, যোগিরো হৃদয় এরি,
থাকা হরি সাক্ষাতে তথাত।

অব্যক্ত ঈশ্বর হরি, কিমতে পূজিব তাক,
ব্যাপকত কিবা বিসর্জ্জন ;
এতাবত্ত মূর্তিশূন্য, কেনমতে চিন্তিবাহা,
রাম বুলি শুদ্ধ করা মন।

কর্ণেও বিশ্বাস যার, হিয়াও থাকবে হরি,

অতিশয় দূর হোক তার ;

দূরতো বিদূর হোক, অহঙ্কার থাকবেনা,

সাক্ষাতে কৃষ্ণকে পাবে,

শ্রবণ কীর্ত্তন ধন্য যার ।”

যবনিকা পতন ।

[illegible]

[illegible]

[illegible] [illegible] [illegible] [illegible],
শ্রীমতী [illegible] [illegible], [illegible],
[illegible] শ্রীযুক্ত [illegible] ভট্টাচার্য, [illegible]

[illegible]